চান্দমামা

অগাস্ট ১৯৮৮



ৰং তামাচাৰ জগতত প্ৰবেশ কৰা - মেগী ক্লাবৰ সদস্য হোৱা !

সদস্য হবৰ বাবে, কেৱল ৫ টা খালি মেগী নুডল পেকৰ সমুখৰ ফালে থকা 'Maggi 2-Minute Noodles'—এই নামটো কাটি উলিওৱা আৰু আমালৈ পঠাই দিয়া। আজীৱন সদস্য কৰিবলৈ আমি তোমালোকলৈ পঠাম এটা 'ছুপাৰ মেগী ক্লাব মেম্বাৰশ্বিপ বেজ' আৰু এখন সদস্যভুক্তি প্ৰমাণপত্ৰ। ইয়াৰ উপৰি তলত উল্লেখ কৰা যিকোনো এবিধ উপহাৰ বাচি লোৱাৰো সুযোগ পাবা—

* মেগী স্কুল ফান ছে'ট (এখন টাইমটেব্‌ল আৰু ২০ খন কিতাপৰ লেবেল) * মেগী ট্ৰেফিক গেম * চাইনীজ পাজ্‌ল্ * মেগী পোষ্টাৰ ছে'ট * ডিচনী টুডে কমিক (প্ৰতিবাৰে শেহতীয়াখন)

ইচ্ছা কৰিলে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত তোমালোকে এই ৫ টা উপহাৰৰ আটাইবোৰেই সংগ্ৰহ কৰিব পাৰিবা, মাত্ৰ প্ৰতিটো উপহাৰৰ বাবে ৫ টাকৈ খালি পেক পঠাব লাগিব।

অকল সেয়েই নহয়, ভৱিষ্যতে মেগী ক্লাবত বহুতো আনন্দ উত্তেজনাৰ ব্যৱস্থা আছে। গতিকে আজিয়েই ইয়াৰ সদস্য হৈ লোৱা।

মনত ৰাখিবা!

মেগী পেকৰ পৰা কাটি উলিওৱা নামকেইটা, ৬০ পইচাৰ টিকট লগোৱা এটা লেফাফাৰ ভিতৰত ভৰাবা আৰু এটুকুৰা কাগজত এই কথাখিনি বিতং কৈ লিখিবা :

নাম : সম্পূৰ্ণ ঠিকনা : বয়স : লৰা/ছোৱালী :

কাটি উলিওৱা মেগী নামটোৰ পঠোৱা সংখ্যা : তুমি বিচৰা উপহাৰ :

চিঠি এই ঠিকনাত পঠাবা—

দি মেগী ক্লাব, পোষ্ট বক্স নং ৫৭৮৮, নিউ দিল্লী-১১০০৫৫

MAGGI 2-Minute noodles

HTA 6026ASS

এতিয়াঃ বাৰটা মনোৰঞ্জক সংখ্যা এঘাৰটা সংখ্যাৰ দামত।
বাৰটা সংখ্যাৰ বাবে কেৱল ৫৫ টকা।
আজিয়েই বৰঙনি পঠিয়াই ধন ৰাহি কৰক।

মই মোৰ শিশুটিক গ্ৰাহকভুক্ত কৰিবৰ বাবে ৫৫ টকা
এম,ও। ড্ৰিমাণ্ড ড্ৰাফ্ট নং________ যোগে পঠিয়ালো।

অনুগ্ৰহ কৰি তলৰ ঠিকনাত কপিসমূহ পঠিয়াওক:

নাম______________________________

বয়স________________ লৰা। ছোৱালী______

ঠিকনা____________________________

____

স্কুল______________________________

মাক-দেউতা। অভিভাৱক'ৰ চহী____________

আপোনাৰ ধন ইউনাইটেড পাব্লিচাৰ্ছে পোৱাকৈ পঠাব লাগিব।

এই কুপনখন ডাকযোগে পঠিয়াওক অথবা তলৰ ঠিকনাত যোগাযোগ কৰক:

ইউনাইটেড্ পাব্লিচাৰ্ছ
পানবজাৰ মেইন ৰোড,
পোষ্ট বক্স নং ৮২
গুৱাহাটী-৭৮১০০১ (অসম)

WHOLESALE DISTRIBUTORS
Post Box No. 82
Phone : 26381
Cables : UNIPUB
Telex : 0235-219 UNIT IN
united publishers
Panbazar, Main Road
Guwahati-781 001

"For every breath one takes, a child dies from a vaccine - preventable disease."

Every year, 3.5 million children die for want of vaccine. Imagine, the population of cities of the size of Ahmedabad or Bangalore annihilated every year.

"Can we afford to wait?"

Help implement POLIOPLUS PROGRAMME
Rotary International
Supporting the immunization programmes of UNICEF and WHO.

Besides funding for vaccines, POLIOPLUS helps increase the protection levels of those programmes through SOCIAL MOBILIZATION i.e. community education, volunteer support and public promotion.

Rotary will fight Polio Plus measles, diphtheria, tuberculosis, whooping cough and tetanus.

For a child it could be a matter of life or limb.

Give generously to **PolioPlus**

Cut and mail to :
Chairman
POLIOPLUS CAMPAIGN TRUST
128, Golf Links
New Delhi 110 003.

Here's what You Can Do

YES, WE WISH TO SUPPORT THE POLIOPLUS CAMPAIGN TRUST
We enclose our Cheque/Draft of Rs. ....
Name ....
....
Designation ....
....
Company Address ....
....
Phone No. ....

Cheques/Drafts should be drawn in favour of POLIOPLUS CAMPAIGN TRUST payable in Bombay. Contributions are exempted from income tax under section 80 (G) of the Income Tax Act, 1961.

CMP

"YOU HAVE NOT DONE ENOUGH AS LONG AS YOU ARE CAPABLE OF DOING MORE." ACT NOW.

No share prices,
no political fortunes, yet...

Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma.

– from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

THE HERITAGE

CMP-2155

So much in store, month after month.

Now from Lion Pencils, here's another Novelty...
the Pearl finished **LION PINKY** pencil, a pretty pencil to behold.
Superb in looks, super smooth in writing with its HB Lead
strongly bonded to give you unbreakable points.

Also available with rubber tip and hexagonal

Other popular brands of Lion Pencils are:

Lion **MOTO,** Lion **TURBO,** Lion **SWEETY,** Lion **CONCORD,**
Lion Hi-Tech **METALLIC,** Lion **MASH-HOOR,** Lion **EXECUTIVE,**
Lion **NOVELTY,** Lion **GEEMATIC** Drawing Pencils
and **RATTAN** Colour Pencils & Wax Crayons.

LION PENCILS PVT. LTD. 95 Parijat, Marine Drive, Bombay 400 002.

National-407

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চ ক্র পা ণি * বি নাগিৰেড্ডি

* বিশেষ মন কৰিবলগীয়া *

চান্দমামাৰ 'ফটো-নামকৰণ' প্ৰতিযোগিতালৈ যোগদান কৰিবলৈ হ'লে নিম্নলিখিত নিয়মসমূহ পালন কৰিব লাগিব : (১) কেৱল প'ষ্টকাৰ্ডত লিখিব লাগিব ; (২) প্ৰতিযোগীয়ে নিজৰ হস্তাক্ষৰেৰে লিখিব লাগিব ; (৩) প্ৰতিযোগীৰ বয়সৰ উল্লেখ থাকিব লাগিব ; (৪) কোন সংখ্যাৰ বাবে প্ৰতিযোগিতা তাৰ উল্লেখ থাকিব লাগিব ; (৫) সম্পূৰ্ণ ঠিকনা অসমীয়াত বা ইংৰাজীত লিখিব লাগিব। এই প্ৰতিযোগিতাৰ বিষয়ে ব্যক্তিগত যোগাযোগ কৰা নহয়।

অমৰ-বাণী

ঘাতয়িতুমেব নীচঃ পৰকাৰ্য্যম্ বেত্তি ন প্ৰসাধয়িতুম্ ।
পাতয়িতুৰ্মাস্ত শক্তিৰ্বায়ো বৃক্ষম্ ন চোন্নমিতুম্ ॥

[বলিয়া বতাহে বহু সংখ্যক গছ উবালি পেলাব পাৰে ; কিন্তু সেই গছবোৰ বাঢ়ি উঠাত বলিয়া বা'ই সহায় কৰিব নোৱাৰে। ঠি কতেনেকৈ, নীচ মানুহে প্ৰতিপক্ষৰ ক্ষতি কৰিব পাৰিলেও কদাপি'কোনো প্ৰকাৰৰ উপকাৰ কৰিব নোৱাৰে।]

বছৰ : ১৩ অগাস্ট ১৯৮৮ সংখ্যা : ৫

খনে : ২'৫০ টকা : : বছৰেকীয়া বৰঙণি : ৩০'০০ টকা

Study time.... Play time.... Any time....

Lakhani Canvas Shoes

For comfort, easy wear and long-lasting quality.

Super Joy | Super Tennis | Samrat | Target | Nicky

We think quality... we make quality... you get quality.

Lakhani
The Footwear People

3 Brothers/LC-4088

চান্দমামাৰ সম্বাদ-বি-সম্বাদ



নক্ষত্ৰ-ৰেণুৰে স্নান…

১৯৮৭ চনৰ কোনোবা এটা দিনত মহাকাশৰপৰা পৃথিৱীৰ বুকুত নক্ষত্ৰ-ৰেণু কিনকিনীয়া বৰষুণৰ দৰে সৰি পৰিছিল, আমি নজনাকৈয়েই এই নক্ষত্ৰ-ৰেণুৰে স্নান কৰিছিলোঁ। মহাকাশত থকা অসংখ্য নক্ষত্ৰৰ মাজত এটা নক্ষত্ৰ সংঘৰ্ষৰ ফলত গুড়ি গুড়ি হোৱাত ৰেণু ৰেণু হৈ পৰিছিল।

পৃথিৱীৰ কঁপনি…

১৯৮৭ চনৰ সমগ্ৰ পৃথিৱীত সৰ্বমুঠ ৭৬ বাৰ ভূমিকম্প হৈছিল। ক'লম্বিয়াৰ ইকুৱেডৰ অঞ্চলৰ ভূমিকম্পই আছিল আটাইতকৈ মাৰাত্মক। এই ভূমিকম্পই এই অঞ্চলত এহেজাৰতকৈয়ো অধিক মানুহ মাৰি পেলাইছিল!



কুকুৰৰ বেংক একাউণ্ট…

লণ্ডন নগৰৰ বেংক এটাত ডাক হোৱাইট উডৰ এটা বেংক একাউণ্ট আছে। এই বেংকত লাখ লাখ মানুহৰ একাউণ্ট আছে। কিন্তু ডাক হোৱাইট উড হ'ল এটা পোন্ধৰমহীয়া কুকুৰহে। কুকুৰটোৱে তাৰ আগ ঠেঙৰ হাতোৰাৰে ছাব দি বেংকৰপৰা টকা তোলে!

শান্তিৰ প্ৰতীক জোঁৰ!

১৯৬৫ চনত আণবিক বোমাৰ আক্ৰমণত হিৰোসিমা নগৰ ধ্বংস হৈছিল। সম্প্ৰতে হিৰোসিমাত যিথন শান্তি-সন্মিলন পতা হৈছিল, তাত শান্তিৰ প্ৰতীক স্বৰূপে মানুহৰ হৃদয়ত জলি থকা বেদনাৰ জুই হিচাপে জোঁৰ জলোৱা হৈছিল।

গায়নৰ জেঙা

এগৰাকী জমিদাৰে তেওঁৰ অট্টালিকাৰ ঘাই দুৱাৰৰ দুকাষত ডাঙৰ দুটা শিলৰ হাতী থাপিবলৈ তেওঁৰ গোমস্তাক আদেশ দিলে।

গোমস্তাই নাগশংকৰ নামৰ শিল্পী এগৰাকীক মতাই অনালে।

নাগশংকৰ লগত তেওঁৰ ছাত্ৰ মলয়শংকৰো আহিছিল। জমিদাৰৰ কথা শুনি শিল্পী নাগশংকৰে ক'লে, "আপুনি যেনেকুৱা হাতীৰ কথা কৈছে, তেনেকুৱা হাতী বনাবলৈ কমেও এমাহমান সময়ৰ আৱশ্যক হ'ব।"

জমিদাৰে তেওঁৰ গোমস্তাৰ পিনে চাই বিদ্ৰূপৰ হাঁহি মাৰি ক'লে, "আজিৰ দিনত কামৰ কথা ক'লে মানুহক ঢেৰ সময়ৰ আৱশ্যক হয়। এটা সৰু-সুৰা কামতো বহু দিন কটাই দিয়ে।"

এই কথাৰ উত্তৰত একো নকৈ নাগশংকৰ তলমূৰ হৈ ৰৈ থাকিল। গুৰুৰ এই অৱস্থা দেখি শিষ্য মলয়শংকৰে জমিদাৰক ক'লে, "চাওক, মোৰ গুৰুৱে কামখিনি অতি ভালকৈ ক'ৰ; কিন্তু কোন কামত কি কৌশল খটুৱাব লাগে—তাকেহে তেওঁ নাজানে। সঁচা কথা ক'বলৈ হ'লে—শিল কাটি হাতী বনোৱাটো বৰ ডাঙৰ কথা নহয়। ঠিক আছে, আপোনাক যিমান ডাঙৰ হাতী লাগে, তাতকৈ অলপ ডাঙৰ শিল দুচটা অনাই দিয়ক।"

"অনাম বাৰু। কিন্তু—অনাৰ পাছত কিমান দিন লাগিব?" গোমস্তাই প্ৰশ্ন কৰিলে।

"বেছি দিন নালাগে। শিলচটাক কাটিকুটি কিবা এটা কাৰ্ বনাব পাৰিলেই দেখোন হৈ যাব। দুই-চাৰি দিনতে হব।" মলয়শংকৰে ক'লে।

মলয়শংকৰে যে ইতিকিং কৰিছে, তেতিয়াহে জমিদাৰে বুজি পোৱা হ'ল। জমিদাৰে তেওঁৰ ওঁঠৰ কোণত হাঁহি ফুটাই তুলি ক'লে, "কামত যে কৌশল আছে, আৰু কৌশলেৰে যে কৰিবও পাৰি. সুবুজা নহয়। পিছে—মোক কৌশল নালাগে, নৈপুণ্যহে লাগে।'

তেতিয়াহে গো-মাৰ্গা গোমস্তাই বুজি পালে যে জমিদাৰ ডাঙৰীয়াই বুদ্ধিৰে গায়নৰ জেঙা মাৰিলে!



পঁইতা ভাতৰ খৰিকা

মৰণে চমু চাপিছে বুলি সঠিকভাৱে উপলব্ধি কৰি সূৰ্য্যৰ দেউতাকে সূৰ্য্যক বিদায়-উপদেশ দিলে, "বোপা সূৰ্য্য, শ্ৰম কৰি আয়-উপাৰ্জন কৰিবা। কদাপি কাৰোপৰা একো নুখুজিবা। সকলো বিষয়ত ঈশ্বৰৰ ওপৰত নিৰ্ভৰ কৰিবা। অনিষ্ট কৰাহঁতক ঈশ্বৰেই অভিশপ্ত কৰিব।"

দেউতাকৰ মৃত্যুৰ অন্তত সূৰ্য্যনাৰায়ণে দেউতাকৰ কথা আখৰে আখৰে পালন কৰিবলৈ চেষ্টা কৰি থাকিল। কিছুদিনৰ অন্তত এদিন সূৰ্য্য টান বেমাৰত পৰিল। কিন্তু—আনকি দৰব কিনিবলৈকো পইচা পায় ক'ত সি? তথাপি সি চিকিৎসকৰ কাষ নাচাপি নোৱাৰিলে। চিকিৎসকে তাক ধন আনিবলৈ ক'লে। ধন বিনে যে বেমাৰক পোনাব নোৱাৰিব, সেই কথাটি চিকিৎসকে ক'বলৈ নাপাহৰিলে।

বেমাৰী সূৰ্য্যনাৰায়ণে কেঁকাই-গেঁথাই কবিৰাজক ক'লে, "আপুনি মোক ভাল কৰি তোলক, মই আপোনাৰ ঘৰত কাম কৰি দৰবৰ দাম পৰিশোধ কৰিম।"

কিন্তু চিকিৎসক সন্মত নহ'ল।

এই চিকিৎসক কবিৰাজৰ এজনী ছোৱালী আছিল। তাইৰ নাম পদ্মিনী। সূৰ্য্যনাৰায়ণ গুচি যোৱাৰ পাছত পদ্মিনীও পিছে পিছে ওলাল, আৰু গৈ গৈ সূৰ্য্যনাৰায়ণৰ ঘৰ পালেগৈ।

পদ্মিনীয়ে সূৰ্য্যনাৰায়ণক ক'লে, "শুনা, মোৰ দেউতাই তোমাৰদ্বাৰাই ঢেৰ কাম-বন কৰোৱাইছিল আৰু সেইবোৰ কাম কৰোৱাৰ পাৰিশ্ৰমিক হিচাপে দেউতাই তোমাক প্ৰায় একোৱেই দিয়া নাছিল।

তুমি সেইবোৰ কথা নক'লা কেলেই?"

পদ্মিনীৰ কথাৰ উত্তৰত সূৰ্য্যনাৰায়ণে পদ্মিনীক ক'লে, "মৃত্যুৰ আগে আগে মোৰ দেউতাই মোক কৈছিল যে—মোৰ প্ৰতি যিজনে অন্যায় কৰিব, সেইজনক ঈশ্বৰেই অভিশপ্ত কৰিব। দেউতাৰ কথা মই বিশ্বাস কৰোঁ আৰু পালন কৰোঁ।"

পদ্মিনীয়ে ক'লে, "সূৰ্য্য, তুমি অতি সৰল মানুহ। কিন্তু ইমান সৰলতাৰে এনে গৰল থকা সমাজখনত তিষ্ঠি থকা টান।"

"শুনা—" পদ্মিনীয়ে কওঁ-নকওঁকৈ কৈয়েই পেলালে, "তুমি—যদি তোমাৰ আপত্তি নাই, মোক বিয়া কৰাবানে?"

"কিন্তু মোৰ লগত তোমাক দিবলৈ তোমাৰ দেউতাৰা ৰাজী হ'বনে?"

"ৰাজী নোহোৱাৰ কাৰণ নাই। পিছে—বিয়া কৰোৱাৰ আগতে বেমাৰ ভাল কৰি লোৱা। এই খাৰুযোৰ দেউতাক দিলেই দেউতাই তোমাক দৰব দিব।" পদ্মিনীয়ে খাৰুযোৰ সূৰ্য্যক দিলে।

কিন্তু কথা বৰ কেনেবাখন লাগিল পদ্মিনীৰ দেউতাকৰ। কিয়নো—কিছুদিনৰ আগতেই এইযোৰ খাৰু তেওঁ তেওঁৰ ছোৱালীজনীক দিছিল আৰু এইযোৰ কোনেও নেদেখাকৈ লুকাই থ'বলৈ কৈছিল তাইক। —এইযোৰ বাৰু সেই-যোৰেইনে? ভাবিলে কবিৰাজে।

সি যি কি নহওক, পদ্মিনীৰ দেউতাকে সূৰ্য্যক তেওঁৰ নিজৰ ঘৰতে ৰাখি চিকিৎসা কৰি থাকিল আৰু পদ্মিনীয়ে সূৰ্য্যক ভালকৈ খুৱাই-বুৱাই সেৱা-যত্ন কৰি থাকিল। আৰু তাৰ ফলত চাওঁতে চাওঁতে চাওঁতে সূৰ্য্য ভাল হৈ উঠিল।

তাৰ প্যছত এদিন পদ্মিনীৰ দেউতাকে সূৰ্য্যক ক'লে, "হোঁ, সূৰ্য্য, এইবাৰ তুমি ঘৰলৈ উভতি যাবা পাৰা।"

আৰু সেই মুহূৰ্ততে সূৰ্য্যনাৰায়ণে পদ্মিনীক বিয়া কৰাবৰ প্ৰস্তাব দিলে।

সূৰ্য্যনাৰায়ণৰ কথা শুনি, অবাক হৈ

পৰা কবিৰাজে ক'লে, "বিয়া কৰাবা যে—খুৱাবানো কি? তোমাৰ কিবা আয়-উপাৰ্জন আছেনে?

"পদ্মিনীৰ পৰামৰ্শমতে চলি থাকিলে মোৰ কোনো দিনে পইচাৰ অভাৱ নহ'ব।" সূৰ্য্যাই ক'লে।

"শুনা, মোৰ পদ্মজনী যে বুদ্ধিমতী, মই বহু দিনেৰেপৰা কথাষাৰ জানো। কিন্তু তাইৰ মান বুদ্ধিমতীয়ে তোমাক বিয়া কৰাব বুলিনো ভাবিলা কেলেই?"

"পদ্মিনীয়ে মোক যদি ভাল পাই বিয়া নকৰাব, খাৰুযোৰ কিয় দিব?" সূৰ্য্যায়ো লগে লগে সুধিলে।

এই কথা শুনি কবিৰাজৰ কলিজাত বিষ উঠা যেন হ'ল, দিনতে আন্ধাৰ দেখিলে। কিন্তু পাছ মুহূৰ্ততে গৰ্জি উঠি পদ্মিনীক ক'লে, "পদ্ম, তুমি সঁচাকৈয়ে খাৰুযোৰ ইয়াক দিছিলানে?"

পদ্মিনীয়ে নিৰ্ভয়ে ক'লে, "হয় দেউতা, দিছিলোঁ। তুমি তেওঁক যিমান খটুৱাইছিলা, তাৰ জোখে-জোখাৰে পইচা-পাতি দিয়া নাছিলা। সেই বাবেহে মই তেওঁক তেওঁৰ বিপদৰ দিনত খাৰুযোৰ দিছিলোঁ।"

কবিৰাজে তেওঁৰ জীয়েকক আৰু একো নক'লে। তেওঁ সূৰ্য্যাক ক'লে, "চোৱা সূৰ্য্য, চৰ্ত মতে—তুমি মোৰ কাম-বন কৰাত বাধা। আমাৰ ঘৰৰ পিছফালে এটা ডাঙৰ গাঁত আছে। তোমাৰ নিজৰ ঘৰৰ চোতাল বা বাৰীৰপৰা মাটি কাটি আনি সেই গাঁতটো ভৰাই দিবা। তুমি নিজে কামটো কৰিবা, আন কাৰোবাৰ দ্বাৰা কৰোৱালে কিন্তু নহ'ব।"

"চাওক, আপুনি যিটো কাম কৰিবলৈ কৈছে—কামটো কিন্তু টানেই। আপুনি বৰঞ্চ আন কিবা কামৰ কথা কওক।" সূৰ্য্যাই কবিৰাজক ক'লে।

"এইবোৰ ফুচুং কথাৰে মোক ভুচুং বনাব নোৱাৰিবা। মোক আভুৱা ভাৰি ভাল হৈ উঠিলা, যমৰ দুৱাৰৰপৰা ফিৰি

আহিলা। হয় কামখিনি কৰি দিবা, নহয় যদি—মোক চাৰিটা সোণৰ মুদ্ৰা দিব লাগিব।” কবিৰাজে কককালে।

সূৰ্য্যই কি আৰু কৰিব? গাঁতটো সি ভৰাবই লাগিব। প্ৰতিদিনেই মাটি কাটি গাঁত ভৰায়। এইদৰে, এঠাইৰ মাটি কাটে, আন ঠাই ভৰায়, আকৌ কাটি অনা ঠাইত বিৰাট গাঁত হয়। তথাপি সি কাম কৰি যায়। মুখত তাৰ ৰাও নাই, বুকুত নাই আশা। সি খীণাই খীণাই হাড়ে-ছালে লগা যেন হ'ল। তাক দেখি তাৰ চুবুৰীয়াহঁতো মৰমত পমিল। এদিন তাক তা'ৰ এজন চুবুৰীয়াই ক'লে, “হেৰাহে সূৰ্য্য, তুমি বাৰু বলিয়াহে হ'লানে কি? দিনৰ পাছত দিন ধৰি কেলেইহে এনে অসম্ভৱ কামবোৰ কৰি আছা?”

চুবুৰীয়াৰ কথাৰ উত্তৰত সূৰ্য্যই চুবুৰীয়াক ক'লে, “মোৰ প্ৰতি কবিৰাজে যদি অন্যায় কৰিছে, তেনেহ'লে ঈশ্বৰেই তেওঁক অভিশাপ দিব। মই তেওঁৰ কথা মতে তথাপি কাম কৰি থাকিম।”

এইদৰে আৰু কিছুদিন পাৰ হ'ল। তেতিয়া চুবুৰীয়াহঁতে সূৰ্য্যক এসাজকৈ খাবলৈ দিয়ে। সূৰ্য্যই কিন্তু ঠিক আগৰ দৰেই নিজৰ ঘৰৰ পিছফালৰপৰা মাটি কাটি আনি কবিৰাজৰ ঘৰৰ পিছফালৰ গাঁত ভৰাইছিল।

আৰু—এদিন—মাটি খান্দি থাকোঁতে হঠাৎ ঠংকৈ শব্দ এটা উঠিল। কৌতূহলী হৈ সি আৰু দ'লৈকে খান্দিলে আৰু তাত সি মাটিৰ তলত পোত খাই থকা তামৰ কলহ এটা দেখা পাই তৰধ মানিলে।

আৰু তাৰ পাছত সি দেখা পালে—এটা নহয়, তাত দুটা তামৰ কলহ আছে। আৰু তামৰ সেই কলহ দুটা সোণৰ মুদ্ৰাৰে ঠাহ খোৱা!

ইমান সোণৰ মুদ্ৰা! সূৰ্য্যনাৰায়ণৰ মুখৰপৰা এটা শব্দও নোলোৱা হ'ল। তাৰ পাছত সম্বিৎ ঘূৰাই পাই, সি এমুঠি

সোণৰ মুদ্ৰা লৈ কবিৰাজৰ ঘৰলৈ গ'ল। কবিৰাজ তেতিয়া ঘৰত নাছিল।

কিন্তু পদ্মিনী আছিল। সূৰ্য্যনাৰায়ণে পদ্মিনীক সকলো কথা কোৱাৰ অন্তত সি মন্তব্য কৰিলে, "দেউতাৰ কথা মতে কাম কৰিহে মই এই সুফল পালোঁ।"

সূৰ্য্যৰ এই কথা শুনি ভাল পাই পদ্মিনীয়ে তাক ক'লে, "তেনেহ'লে এতিয়াৰপৰা আৰু মাটি খান্দিব নালাগে। তুমি মোক চাৰিটামান সোণৰ মুদ্ৰা দিয়া। দেউতাক চাৰিটা সোণৰ মুদ্ৰা দিম, আৰু সকলো কথা ক'ম মই। ছুকলহ সোণৰ মুদ্ৰা যাৰ—তাক ছোৱালী নিদি দিবনো কাক?"

সূৰ্য্যনাৰায়ণে আনকি চুবুৰীয়াসকলকো কথাটো ক'লেগৈ। ক'লেগৈ যে সি ছুকলহ সোণৰ মুদ্ৰা পালে। তাৰ কথা শুনি চুবুৰীয়ায়ো ভালেই পালে।

কিন্তু এগৰাকী বুঢ়া চুবুৰীয়াই সূৰ্য্যক ক'লে, "কিন্তু সূৰ্য্য, তোমাৰ দেউতাৰাই কোৱাৰ দৰে কিন্তু কথাবোৰ নফলিল।"

"তাৰ মানে—?" সূৰ্য্যই সুধিলে।

"মানে হ'ল—" বুঢ়া মানুহজনে ক'লে, "তোমাৰ প্ৰতি অন্যায় কৰাজন কিন্তু মুঠেই অভিশপ্ত নহ'ল।"

ছুদিনৰ পাছত কবিৰাছ ঘৰলৈ উভতি

আহিল। কবিৰাজ ওলাই গৈছিল গছৰ শিপা আৰু লতা-পাত আনিবলৈ। তাত কবিৰাজক হাবিত এটা হিংস্ৰ জন্তুৱে খেদি অহাত কবিৰাজ এটা গুহাৰ ভিতৰত সোমাইছিলগৈ। তেতিয়া সেই গুহাত চাৰিটা ডকাইতে ধন-সোণ নিজৰ মাজত বাঁটি আছিল।

গুহাৰ ভিতৰত কৱিৰাজক দেখা পাই সিহঁতে কবিৰাজক প্ৰচণ্ডভাৱে মৰিয়ালে। ডকাইতহঁতে কবিৰাজক ৰজাৰ চৰ বুলি ভাবিছিল। পাছত কবিৰাজক সিহঁতে সিহঁতৰ ৰন্ধা-বঢ়াৰ কাম কৰিবলৈ বাধ্য কৰিলে, আনকি সিহঁতৰ জোতা চাফা

কৰি দিবলৈকো বাধ্য কৰিলে আৰু তাৰ পাছত পুনৰ মাৰ-পিট কৰি গুহাৰপৰা উলিয়াই দিলে আৰু ক'লে যে এই গুহাৰ কথা তথা সিহঁতৰ কথা যদি কাকো কয় তেনেহ'লে তাৰ মুণ্ড কাটি আনি গছৰ ডালত ওলোমাই থোৱা হ'ব।

কবিৰাজে গাঁৱৰ সকলোকে এই কথা ক'লে। শুনি গাঁৱৰ ভব্য-গব্য এগৰাকীয়ে কবিৰাজক ক'লে, "যেই কি নহওক, তোমাৰ ভাগ্য বৰ সুসপ্ৰন্ন বুলি ক'ব্‌ৰ লাইগ্‌বো। ডকাইতে পায়ো যে তোমাক এৰি দিলাক্—তোমাৰ চৈধ্য পুৰুষৰ ভাগ্য বুলি ক'লিও ভুল নহয়। তুমিনো কেংকে সাইল্লাহে? আমাক পালি সিহঁতে গোটেই জীৱন ধৰি চাকৰ-নাকৰ খটুৱালে হয়।"

কিন্তু কবিৰাজৰ এইবোৰ কথা শুনি সূৰ্য্যনাৰায়ণ হঠাৎ হুৰাওহুৰাৰে কান্দি উঠিল। হঠাৎ যে সি কিয় কান্দি উঠিল, কোনেও বুজি নোপোৱা হ'ল। কিন্তু বুজক-নুবুজক সকলোটিয়েই তাক বুজনি দিবলৈ চেষ্টা কৰি থাকিল।

কোনোবাই ভাবিলে যে কবিৰাজক ডকাইতহঁতে মাৰ-পিট কৰাত সূৰ্য্যনাৰায়ণে শোকৰ খুন্দাতহে কান্দিছে। খেনোৱে—সূৰ্য্যই পদ্মিনীজনীক বিয়া কৰাবলৈ নিবিচাৰে অথচ পাকত পৰি বিয়া কৰাব লাগিব বুলি ভয়তে কান্দি উঠিছে বুলিও ভাবিলে। কিন্তু কিয় কান্দিছে—সেই কথা সুধিলেই সূৰ্য্যই আৰু বেছিকৈ চিয়ঁৰি কান্দে। একো নকয়।

তেতিয়া, ইমান পৰলৈকে সকলো কথা-কাণ্ডৰ আলেখ-লেখ লৈ মনে মনে থকা পদ্মিনীয়ে সূৰ্য্য নাৰায়ণক একাষৰীয়াকৈ মাতি নি সৰু সৰুকৈ তাক ক'লে, "আন কেৱে ঠাৱৰ কৰিব পৰা নাই যদিও, মই কিন্তু তোমাৰ কান্দোনৰ কাৰণ ঠাৱৰ কৰিব পাৰিছোঁ। ডকাইতহঁতে তোমাৰ সোণৰ মুদ্ৰাৰ কলহ দুটা লৈ যাবহি বুলি ভাবিহে তুমি কান্দিছা। হয়নে নহয় কোৱা।"

"নহয়। তোমাৰ দেউতাৰাৰ এনেকৈ পিটন খোৱা তথা অপমানৰ গুৰিত মোৰ অভিশাপ—এই কথা ভাবিহে মোৰ চকুলোৰে বাধা নমনা হৈছে।" সূৰ্য্যাই পদ্মিনীক ক'লে।

এই কথা শুনি, কবিৰাজে সূৰ্য্য-নাৰায়ণক সান্ত্বনা দিলে আৰু ক'লে, "তোমাৰ অভিশাপৰ কথা বাদ দিয়া। মই যে অপৰাধ কৰিছোঁ, সেই কথা ঠিকেই। পাপ কৰিও দণ্ড নাপাম—সেয়ানো কেনেকে' হ'ব?"

তেনেহ'লে — পাপৰ পৰাচিত হৈ গ'লনে?" সূৰ্য্যাই এই কথা সোধাত পদ্মিনীয়ে খিল্খিল্কৈ হাঁহি উঠিল।

পদ্মিনীয়ে তাইৰ দেউতাকক ক'লে, "দেউতা, সূৰ্য্যাই যে কাৰো কথা দলিয়াই পেলাব নোৱাৰে, তুমি নিশ্চয় ইমান দিন ধৰি লক্ষ্য কৰিছা। শান্ত স্বভাৱৰ মানুহসকলে, যিসকলে একাণপতীয়া হৈ কাম কৰি থাকে, তেওঁলোকে কাকো অভিশাপ দিব নোৱাৰে। যি কি নহওক, তোমাৰ মনত থকা সূৰ্য্যাৰ প্ৰতি খং-ৰাগ, ঈৰ্ষা-অসূয়া আজিৰপৰা মচি পেলোৱা। কাৰো প্ৰতি মনত বিৰুদ্ধ ভাব পোষণ কৰি থাকিলে, সুবিচাৰ সম্ভৱ নহয়। আনৰ সম্পৰ্কে চিন্তাৰ ক্ষেত্ৰত মুকলি মনৰ হ'ব লাগে, উদাৰচিতীয়া হ'ব লাগে; পঁইতা ভাতত খৰিকা মাৰি জীৱন কটাই লাভনো কি? যেতিয়া মানুহৰ জীৱনৰপৰা সকলো আনন্দয়েই নোহোৱা হয়, তেতিয়া জীৱন হৈ উঠে জীয়ন্তে মৰা এডোখৰ জগা-কাঠহেন।"

জীয়েকৰ কথা শুনি কবিৰাজে লাজেই পালে। তেওঁ জীয়েকৰ সঁচা কথাৰ পঁচা উত্তৰ আৰু নিদিলে।

আৰু তাৰ পাছত এদিন এক শুভ লগনত পদ্মিনীৰ জীৱনৰ পাকৰ সৈতে সূৰ্য্যাই উপাক-পাকত বান্ধ খালে।

অকলশ্বৰ

ৰামেশ্বৰলৈ যোৱা যাত্ৰীসকলৰ মাজত থকা দুজন যুৱকৰ ইজনে সিজনক সুধিলে, "আপুনি কৰ'পৰা আহিছে?"

"কমলপুৰৰপৰা।" সিজনে ক'লে।

"অ'—! হয়নে? ময়ো কমলপুৰৰে মানুহ। আপুনি বাৰু কোনখন পাৰাত থাকে?" প্ৰথম যুৱকে পুনৰ প্ৰশ্ন কৰিলে।

"মনসাপাৰাত আমাৰ ঘৰ।" দ্বিতীয়ই উত্তৰ দিলে।

"কথা—আচৰিতেই! ময়ো দেখোন মনসাপাৰাৰ মানুহ। আপুনি বাৰু কোনখন ঘৰৰ?" প্ৰথম যুৱকে পুনৰ সুধিলে।

"মনসাপাৰাৰ বাঁওফালৰ দ্বিতীয় ঘৰটো হ'ল আমাৰ।"

"অতি আচৰিত কাণ্ড! ময়ো দেখোন সেই ঘৰৰে!"

অন্যান্য যাত্ৰীয়ে সিহঁতৰ এনে নাভূত-নাশ্ৰুত কথা শুনি আচৰিত মানি ক'লে, "কথা কি কওকচোন? আপোনালোক একেখন গাঁৱৰ, একেখন চুবুৰিৰ, আনকি একেখন ঘৰৰে মানুহ; অথচ—কোনেও কাকো চিনি নাপায়! এয়ানো কেনেকৈ সম্ভৱ?"

"চিনি নাপাম কেলেই? পাওঁ। আমি দুয়ো ভাই-ককাই। পিছে—কথা হ'ল—দূৰণিলৈ যাওঁতে অলপ কথা-বতৰা পাতিব লাগে তো! নহ'লে অকলশৰীয়া অকলশৰীয়া যেন লাগি থাকে।" যুৱকদ্বয়ে হাঁহি হাঁহি ক'লে।

সিহঁত দুজনৰ কথা শুনি যাত্ৰীসকলে মজা পাই হো হোৱাই হাঁহি দিলে।



স্বৰ্ণ-উপত্যকা

৮

বিনন্দই জ্ঞানভূমি পাৰ হৈ অন্য এক অঞ্চলৈ গ'ল আৰু তাত এগৰাকী মহান সাধুক লগ পালে। এই সাধুগৰাকী আৰু বিনন্দই অদৃশ্যভাৱে সেই সুপ্ৰাচীন নগৰ পৰিদৰ্শন কৰি থাকিল। নগৰৰ মানুহৰ মাজত ধৰ্মচৰ্চাৰ পৰিৱৰ্তে কেৱল ধন-চৰ্চাৰ তথা লোভ-লালসাৰ লক্ষণ দেখা পাই সাধু ব্যথিত হ'ল, আৰু লালসাৰে পূৰ্ণ এই নগৰখন ধ্বংস কৰিবলৈ মন মেলিলে। • তেওঁ এই নগৰৰ অধিবাসীইঁতৰ একমাত্ৰ খাদ্য তৰমুজৰ ওপজন বন্ধ কৰি দিলে আৰু বিনন্দক লগত লৈ নগৰ এৰি এক অজান ঠাইলৈ যাত্ৰা কৰিলে। আৰু তাৰ পাছত...

ৰজাৰ সেই মহামন্ত্ৰী আছিল অতি বৃদ্ধ আৰু প্ৰকৃততেই প্ৰাজ্ঞ ব্যক্তি। এই বৃদ্ধ মহামন্ত্ৰীয়ে এদিন ৰজাক ক'লে, "হে চণ্ডমাৰ্তণ্ড মহাৰাজ! এই সোণৰ প্ৰতিমা জীয়ন্ত হ'লেই দৃষ্টিমতীও হৈ উঠিব। আৰু দৃষ্টিমতী হোৱাৰ লগে লগে, স্বৰ্ণ-প্ৰতিমা হৈ উঠিব চঞ্চলা। কোনোবাজনী চঞ্চল-চপলমতি যুৱতীয়ে আপোনাক দেখি বিমোহিত নহৈ নোৱাৰে।"

মহামন্ত্ৰীৰ কথাখিনি শুনি ৰজাৰ হিয়া-

মনোজ দাস

মন সাতখন-আঠখন। তথাপি যে সমস্যা। সমস্যা হ'ল যে—সোণৰ এই প্ৰতিমাৰ মুখত হাঁহিৰ ৰেঙণি ফুটি উঠিব লাগিব।

এই সমস্যাৰ সমাধানৰ কথাত ৰজা গভীৰভাৱে চিন্তিত হৈ উঠিল।

দেশত হঁহুৱাব পৰা বিধৰ মানুহ অৱশ্যে ঢেৰ আছে। ৰজাই তেনেবোৰ মানুহক মতাই অনাব বুলি খাটাং কৰিলে। তেওঁ ৰাজকোষৰ ধন ভাঙি বিচিত্ৰ ধৰণৰ আৰু বিচিত্ৰ বৰণৰ সাজ-পাৰ বনালে, আৰু সেইবোৰ সাজ-পাৰ পিন্ধাই সোণৰ প্ৰতিমাৰ আগত গৈ বহুৰালি কৰিবলৈ ক'লে। দেশৰ ইমান বহুৰাইঁতে কিমান যে চেষ্টা কৰি চালে; কিন্তু সেই সোণৰ প্ৰতিমাই ভুলতো নাহাঁহিলে।

এই উপায়েৰে কাম নিসিজিব বুলি ভাবি অৱশেষত ৰজাই পুৰস্কাৰ ঘোষণা কৰিলে সোণৰ প্ৰতিমাক হঁহুৱাবৰ বাবে।

আৰু এই ঘোষণাৰ অন্তত, এনিশা সোণৰ প্ৰতিমাৰ আগত হঠাৎ উজ্জ্বল পোহৰ প্ৰকাশিত হ'ল। এই উজ্জ্বল পোহৰ দেখা পায়েই প্ৰহৰীহঁতে ৰজাক ক'লেগৈ। এই প্ৰতিমাই — সোণৰ প্ৰতিমাই নিশ্চয় হাঁহিছে আৰু সেই কাৰণে পোহৰ ওলাইছে বুলি সিহঁতৰ মনত ধাৰণা হৈছিল। গতিকে—সোণৰ প্ৰতিমাই হাঁহা বুলি সিহঁতে ৰজাক ক'লেগৈ।

ৰজাই তেতিয়া খাবলৈ বহিছিলহে মাত্ৰ। প্ৰহৰীহঁতৰ মুখে শুনিয়েই ৰজাই খোৰা-বোৰা এৰি একেচাবে সোণৰ মূৰ্তিৰ কাষ পালেগৈ। কিন্তু ৰজা হতাশ হ'ল। মূৰ্তিৰ মুখত হাঁহিৰ কোনো চিন-মোকাম দেখা নাপালে তেওঁ।

ৰজাই এই বাতৰি দিয়া প্ৰহৰীটোক ক'লে, "শুনা, তোমাক মই ভাল উপহাৰ দিম। পিছে—এটা কথা মনত ৰাখিবা, সোণৰ প্ৰতিমাই হাঁহি থকা মইহে পোন প্ৰথমে দেখা পাব লাগিব, তুমি বা তোমালোকে দেখিলে নহ'ব। আৰু

সেইদেখি, তোমাৰ এই কামটিৰ বাবে, তোমাৰ চকুযুৰি এতিয়াই উপাৰি পেলাম ” খঙতে গোৰগোৰাই উঠি ৰজাই ক'লে।

প্ৰহৰীজন ভয়তে কঁপি কঁপি ক'লে, “মহাৰাজ! আচলতে মই এই সোণৰ প্ৰতিমাৰ কথা একোৱেই নাজানো। এয়া মোৰেই ভাগ্য বা দুৰ্ভাগ্য যে—মই—মইহে এই সোণৰ প্ৰতিমাই ইঁহি থকা দেখা পালোঁ!”

এনেতে বৃদ্ধ মহামন্ত্ৰীও তালৈ আহিল আৰু আহি ৰজাক ক'লে, “হে মহাৰাজ চণ্ডমাৰ্তণ্ড! আমাৰ দেশত এগৰাকী মহান তান্ত্ৰিকৰ আবিৰ্ভাৱ হৈছে। এই এই তান্ত্ৰিকগৰাকীয়ে বহুতো অলৌকিক ঘটনাৰ সৃষ্টি কৰিছে তেওঁৰ জীৱনত। আপুনি তেওঁক পৰীক্ষা কৰি চাবনে? মই তেওঁক লৈয়েই আহিছোঁ।”

ৰজাই তান্ত্ৰিকলৈ চালে।

তান্ত্ৰিকে ৰজাক ক'লে, “মহাৰাজ, আপুনি অনুমতি দিয়ে যদি, মই বহু বিধৰ আলৌকিকত্ব প্ৰদৰ্শন কৰিব পাৰোঁ।” এই বুলি কৈয়েই তান্ত্ৰিকে হাত-চাপৰি বজালে। আৰু লগে লগে এই তান্ত্ৰিকৰ শিষ্য এজনে এটা ভালুকৰে সৈতে তাত ওলালহি।

ৰজাই গৰ্জি উঠি ক'লে, “এ—ই! এইটোক কিয় আনিছা? ভালুকৰ গাৰ দুৰ্গন্ধ মই একেবাৰে সহ্য কৰিব নোৱাৰোঁ। এইটোক ইয়াৰপৰা লৈ যোৱা।”

“যি আজ্ঞা, মহাৰাজ! এই ভালুকটোক ইয়াত সৰহপৰ নাৰাখোঁ।” এই বুলি কৈয়েই তান্ত্ৰিকে ভালুকটোৰ গাত এটা গোৰ মাৰি দিলে আৰু লগে লগে ভালুকটো মাটিত বাগৰি পৰিল। আৰু তান্ত্ৰিকৰ সেই শিষ্যই ভালুকটোক এখন চাদৰেৰে ঢাকি দিলে।

তাৰ পাছত, তান্ত্ৰিকে তাৰ মহা-দণ্ডেৰে চাৰিবাৰমান, লাহেকৈ আঘাত কৰিলে আৰু মন্ত্ৰ মাতিলে। মন্ত্ৰ-তন্ত্ৰ

তেতিয়া সাঁজ লাগি মাত্র ভাগিছিল। সোণৰ প্ৰতিমাক পৰ দিয়াহঁত আৰু ৰজাৰ দেহৰক্ষীহঁতো তাতেই উপস্থিত আছিল। কিন্তু ৰজাক সিহঁতে একো ক'ব নোৱাৰিলে। সেই নিয়ম নাই। ৰজাৰ আদেশ নিশ্চয় পালিব লাগিব। কিন্তু ৰজাক একো ক'ব তো নোৱাৰিব। ক'বলগা কিবা থাকিলেও ৰজাৰ আগত মনে মনে থাকিব লাগিব।

তান্ত্ৰিকে যে এটা ভালুকক মানুহলৈ ৰূপান্তৰিত কৰিব পাৰিলে, সেই কথাত ৰজা দৃঢ়নিশ্চয় হৈছিল। আৰু ৰজাই এই কথাত পতিয়ন যোৱাহেতুকে মন্ত্ৰীবৰ্গয়ো হৰিভৰ দিলে। কিন্তু—তান্ত্ৰিকে মানুহ এজনকে ভালুকৰ ছাল পিন্ধাই আনিছিলনে নাই—সেই প্ৰশ্নই কাৰো কাৰো মনত ভুমুকিউৰা সত্বেও কোনেও মুখেৰে সেই কথা নুলিয়ালে।

মন্ত্ৰী এগৰাকীয়ে এই কথাটোৰ বুজ-বাজ ল'বলৈ এতিয়াই ভালুক গুচি মানুহ হোৱা মানুহটোৰ কাষ চাপিল। আৰু কাষ চাপি যোৱাৰ লগে লগেই সেই মানুহটোৱে মন্ত্ৰীৰ নাকডালত নখেৰে আঁচুৰি দিলে, ক্ষত-বিক্ষত কৰি পেলালে।

তান্ত্ৰিকে কৈ উঠিল, "মহাৰাজ! এই মানুহটোৰ নাকৰপৰা যি ঘোৰ্ঘোৰণিৰ

আওৰোৱা হৈ যোৱাৰ পাছত তান্ত্ৰিকে হঠাৎ ভয়ানক মূৰ্তি ধৰি কৈ উঠিল, "হুঁ হুঁ হুঁ হুঁ হুঁ—হুম্ ফট্, ঘট—ঘট্ চটা—চট্! পট্ পট্—মট্!" এই বুলি কৈয়েই তান্ত্ৰিকে, আকাশলৈ চাই থাকিল, চায়েই থাকিল...। যেনিবা তান্ত্ৰিক আৰু এই জগতত নাই!

আৰু হঠাৎ সেই তান্ত্ৰিকে একেচিপে ভালুকৰ গাৰপৰা সেই চাদৰখন উঠাই ল'লে, আৰু ভালুকৰ পৰিৱৰ্তে সেই ঠাইত এজন মানুহক দেখা গ'ল!

দেখি ৰজাৰ ৰাইঁজাঁই যেন লাগিল। হাঁ! ভালুক গুচি মানুহ! কথানো কি!

শব্দ ওলাইছে, অলপ সময়ৰ পাছত সেই শব্দ নোহোৱা হ'ব। আৰু এই মানুহটোৱে যিকোনো অস্ত্ৰেৰে যুদ্ধ কৰিব পৰা হ'ব।"

ৰজাই এই কথা শুনি ভেবা লাগি চাই ৰ'ল তান্ত্ৰিকৰ মুখৰ পিনে।

তেতিয়া তান্ত্ৰিকেই পুনৰ ক'লে, "মহাৰাজ, মই যে এজন মানুহকো ভালুকলৈ ৰূপান্তৰিত কৰিব পাৰিম, সেই কথাত আপোনাৰ কিবা সন্দেহ আছেনে? এই বিষয়ে মহাৰাজে কিবা ক'বনে? ক'লে মই সঁচাকৈয়ে ভাল পাম।"

ৰজাই লাহে লাহে ক'লে, "এই মুহূৰ্তত মই যি কথা ভাবি আছোঁ, সেই কথা তোমাক কওঁ। তুমি মন কৰিলে যে মানুহক ভালুক বনাব পাৰিবা, সেই কথাৰ আৰু সাখী-চাবুদ নালাগে। আৰু—তুমি এটি ক্ষেত্ৰতে যি দেখুৱালা তাৰেই তোমাৰ ক্ষমতাৰ পৰিচয় পালোঁ মই।"

"সঁচা, ৰজা এনেয়েই নহয়। ৰজাৰ কথা-বতৰাও হয় ৰাজকীয়। কেনে শুৱলা জবাব!" ৰজাৰ পাৰিষদইঁতে কোৱাকুই কৰিলে পৰস্পৰৰ মাজত।

"মহাৰাজ! মোৰ প্ৰথম আৰু শেষ পৰিচয় হ'ল—মই এজন তান্ত্ৰিক। পিছে—মই যদি এটা ভালুকক মানুহলৈ বা মানুহক ভালুকলৈ ৰূপান্তৰিত কৰিব পাৰোঁ, তেনেহ'লে সোণৰ প্ৰতিমাক জীয়ন্ত কৰিব নোৱাৰিম কিয়?" তান্ত্ৰিকে মহাৰাজক ক'লে।

"কিয় নোৱাৰিবা? নিশ্চয় পাৰিবা।" ৰজাই ক'লে তান্ত্ৰিকক।

"মহাৰাজ! কেতিয়াবা নাও কাটোঁতে মাকো হৈ যাব পাৰে। পাৰে! পিছে—পৈণত কাৰিকৰৰ হাতত তেনেকুৱা হোৱাৰ সম্ভাৱনা কম। আকৌ—কেতিয়াবা নিজৰ পেটটোও নিজৰ ওচৰতে বৰ ডাঙৰ বুলি বোধ নোহোৱা নহয়। কিন্তু—মই যিস্থলত সোণৰ প্ৰতিমাকো জীৱন্ত নাৰীলৈ ৰূপান্তৰিত কৰিব পাৰিম, আপোনাৰ

নাওপেটটোকো সৰু কৰিব—পাৰিমেই। পিছে—এই বিষয়ত মই আপোনাক সতর্ক কৰিছোঁ।” তান্ত্ৰিকে ক’লে।

“চোৱা তান্ত্ৰিক, মোৰ কি হ’ব-নহ’ব তাৰ কাৰণে মই মুঠেই ভীত নহওঁ। তুমি এতিয়াই মন্ত্ৰ মাতি সোণৰ প্ৰতিমাক জীৱন্ত নাৰীলৈ ৰূপান্তৰিত কৰা। যিমান পৰলৈকে কৰিব নোৱাৰিবা, মন্ত্ৰ মাতিয়েই থাকিবা, ধন যিমান লাগে সিমানেই দিয়া যাব। কিন্তু মোক এই নাৰীক লাগেই। এনেহেন শুভ দিন এটালৈ মই যে কিমান কাললৈ বৈ আছোঁ, বাট চাই আছোঁ, মই জানো আৰু জানে সেই সোণৰ প্ৰতিমাই।” ৰজাই খেদ প্ৰকাশ কৰি ক’লে।

“কিন্তু মহাৰাজ—” তান্ত্ৰিকে টপৰাই কৈ উঠিল, “অতি সহজতে এই কাম পৰিপূৰ্ণভাৱে সম্ভৱ কৰি তুলিবলৈ হ’লে সাতদিন-সাতনিশা লঘোনে কটাব লগিব আৰু এই সোণৰ মূৰ্তিৰ পিছফালে থকা গুহাত ধ্যানমগ্ন হৈ থাকিব লাগিব। এই দুটা কাম কৰিব পাৰিলেহে আপোনাৰ মনোবাঞ্ছা পূৰ্ণ হ’ব।”

“হেঁ—! কি ক’লাহে! সাতদিন সাতনিশা লঘ্‌ঘোন! সেয়ানো কেনেকৈ সম্ভৱ?” ৰজাই ভয় খোৱা যেন হৈ ক’লে।

“সম্ভৱ নহয়েই যদি—সম্ভৱ নহ’বও। অৰ্থাৎ লঘোন আৰু ধ্যান সম্ভৱ নহ’লে আপোনাৰ বাঞ্ছাপূৰণো সম্ভৱ নহ’ব।” তান্ত্ৰিকে খাৰাংখাচকৈ কৈ দিলে।

“বাৰু, অলপ অচৰপ মিঠাই-চিঠাই খাব পাৰিম—?” ৰজাই সুধিলে।

“নাই নাইঃ মহাৰাজ, আপুনি যাক বোলে নিৰম্বু উপবাস—অম্বু মানে পানী, আনকি পানীও একদম নোখোৱাকৈ উপবাস কৰিব লাগিব।” তান্ত্ৰিকে ক’লে।

“কি কোৱাঁহে! মৰিম তেতিয়া!” ৰজাই প্ৰমাদ গণিলে।

“ক’লোঁ আৰু।” তান্ত্ৰিকে ক’লে।

"বাৰু, মিঠাই-চিঠাই নাখালোঁ নাই। এটা-দুটা কুকুৰাৰ ঠেং-ঠুং খাব পাৰিমনে?" ৰজাই বৰ আশাৰে সুধিলে।

"আনকি চেং বেঙৰ ঠেং-ঠুংও খাব নোৱাৰিব।" তান্ত্ৰিকে ৰজাৰ আশাৰ মূৰত চেঁচাপানী ঢালিলে. "সোণৰ মূৰ্তিক জীৱন্ত নীৰলৈ ৰূপান্তৰিত কৰি বাঞ্ছা পূৰাব, আৰু এইকণ কষ্ট-মষ্টও নকৰিবনে? তাৰ ফলত—আপুনি জানেই—আপোনাৰ নাম পৃথিৱীৰ ইতিহাসত সোণৰ আখৰেৰে যুগ-যুগান্তি জলমলাই থাকিব।"

এইদৰে, তান্ত্ৰিকৰপৰা বহু ধৰণৰ মনেখোৱা কথা শুনি শুনি এসময়ত ৰজাৰ মূৰটো কাতি হৈ পৰিল। আৰু শেষত তেওঁ সন্মতি জনালে।

"মহাৰাজ! ময়ো আপোনাৰ লঘোনত থাকিলোহেঁতেন। পিছে—সেই সোণৰ মূৰ্তিক জীৱন্ত নাৰীমূৰ্তিলৈ ৰূপান্তৰিত কৰিবলৈ মোৰ প্ৰচুৰ কাম। মই লঘোনত থাকিলে দেহা দুৰ্বল হ'ব, আৰু দুৰ্বল হ'লে কামখিনি সবল নহ'ব। গতিকে, মই লঘোনত আপোনাৰ লগৰীয়া হ'ব নোৱাৰিলোঁ। তাৰ বাবে দুঃখিত, মহাৰাজ!" তান্ত্ৰিকে ৰজাক ক'লে।

কিন্তু তান্ত্ৰিকে পাৰক-নোৱাৰক, ৰজাৰ লগত তেওঁৰ মন্ত্ৰী কিছুমান আৰু আন কিছুমানেও লঘোনত লগ লাগিল।

"মহাৰাজ! আপোনাৰ যে কি সৌভাগ্য! আপোনাৰ লগত আপোনাৰ মন্ত্ৰী-পাৰিষদসকলেও যে লঘোনত থাকিব—এই কথাৰ বাবে—লোকপ্ৰিয় ৰজা হিচাপে আপোনাৰ নাম যুগে যুগে অমৰ হৈ থাকিব!" তান্ত্ৰিকে ৰজাক ক'লে।

"যি কি নহওক—শেহলৈ তোমাৰ কথাহে ৰজিল, আৰু আগলৈকো কিজানি পাইকৰ বেটা গাইগোটা তোমাৰ কথাহে হ'ব কথা, আমাৰ কথা হ'ব বেঙৰ মাথা!" ৰজাই ভোৰভোৰালে। [অহা সংখ্যাত

কলিয়ে পোৱা কথা

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, আৰব্ধ কাৰ্য্যৰ প্ৰতি তোমাৰ এই একাগ্ৰতাৰ সঁচাকৈয়ে শলাগ নলৈ নোৱাৰোঁ। পিছে—কোনোবাই তোমাক গছত তুলি পেলাই মাৰিবলৈ ষড়যন্ত্ৰ কৰিছে, নে তোমাক কলিয়ে পাইছে, আৰু তুমিও জানি-শুনি বৰাহ পাগল যেন হৈছা বুলি কেতিয়াবা ধাৰণা হয়। মোৰ এই মন্তব্যৰ যদি আগ-গুৰি বিচাৰি পোৱা নাই, কাহিনী এভাগ শুনি শুনি গৈ থাকা।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে:

'বেতাল-কথা'

কল্লু নামৰ এজন চিকাৰী আছিল। সি চৰাই চিকাৰ কৰিয়েই জীৱিকা নিৰ্বাহ কৰিছিল। এদিন হ'ল কি—কল্লুৱে পুৱাৰপৰা আবেলিলৈকে চেষ্টা কৰিও এটা চৰায়ো চিকাৰ কৰিব নোৱাৰিলে। সি ভাগৰি-জুগৰি এজোপা গছৰ তলত বহি দিলে। আৰু—

ঠিক তেতিয়াই উজ্জ্বল সোণ-বৰণীয়া হাঁহ এজনী কল্লুৰ পিনে ছন্দময় গতিৰে উৰি উৰি আহি থাকিল।

আৰু চিকাৰী কল্লুৱে লগে লগে সোণৰ হাঁহজনীলৈ টোঁৱাই কাঁড় এৰিলে। কাঁড়ডালে হাঁহজনীৰ গাত বিন্ধিলেগৈ। কিন্তু তথাপি সোণ-বৰণীয়া হাঁহজনী ডেউকা মেলি আকাশলৈ উৰা মাৰিলে।

এই দৃশ্য দেখি কল্লুৱে একো ক'ব নোৱৰা হৈ পৰিল। কল্লু সোণৰ হাঁহজনীৰ পিছ খেদি গৈ থাকিল আৰু সেই হাঁহজনীৰ পাখি ছুডাল পালে। পাখি ছুডাল আছিল উজ্জ্বল সোণ-বৰণীয়া। কিন্তু মাত্ৰ এই পাখি ছুডাল পায়েই কল্লু তুষ্ট নহ'ল। তাৰ জিদ চৰি গ'ল, সি এই সোণৰ হাঁহজনীক ধৰিবই।

ৰাতিৰ পৰতে এজন বুঢ়া মানুহৰ লগত কল্লুৰ দেখাদেখি হ'ল। বুঢ়াৰ হাতত আছিল বিভিন্ন গছৰ শিপা, লতা, পাত, ঠাল-ঠেঙুলি। ইকথাৰ-সিকথাৰ পাছত কথাই কথাই কল্লুৱে এই বুঢ়াক সোণৰ হাঁহৰ কথা কথা ক'লে।

বুঢ়াই সোণৰ-বৰণীয়া হাঁহৰ পাখি ছুডাল পৰীক্ষা কৰি ক'লে, "এই পাখি ছুডাল খাঁটি সোণৰ পাখি। তুমি এই হাঁহজনীক প্ৰকৃততেই দেখা পাইছিলানে?"

তেতিয়া চিকাৰী কল্লুৱে বেজ বুঢ়াক সকলো কথা গুৱিৰেপৰা ক'লে। বুঢ়ায়ো তাৰ চিনাকি দিলে। বুঢ়াৰ নাম হ'ল মণিসিদ্ধি। সি আছিল জমিদাৰৰ পুত্ৰ। মন্ত্ৰ-তন্ত্ৰ জনা জমিদাৰে 'তেওঁৰ সোণৰ চেকুৰাবোৰ এটা গুহাৰ ভিতৰত থৈ মন্ত্ৰৰ

বলেৰে গুহাৰ দুৱাৰমুখ আনে হাজাৰ চেষ্টাতো খুলিব নোৱৰাকৈ বন্ধ কৰি দিলে। একমাত্র যিজনে এই মন্ত্র জানিব, তেওঁহে খুলিব পাৰিব। তাৰ পাছত, এখন তামৰ ফলিত গুহাৰ দুৱাৰমুখ খোলাৰ সংকেত লিখি, পৰিবাৰৰ ওচৰত থৈ, জমিদাৰ এদিন তম্বৰ্গী হ'ল।

কিন্তু এদিন সেই মহামূল্য তামৰ ফলিখন জুইত পৰি গলি গ'ল। আৰু এই ঘটনাৰ পাছৰপৰা মণিসিদ্ধি বাটৰ ভিকহুহেন হৈ পৰিল। কিন্তু সোণখিনি যেনেতেনে উদ্ধাৰ কৰিবলৈকো সি মনতে দৃঢ় প্রতিজ্ঞা কৰিলে।

তাৰ এই কাহিনী কোৱাৰ পাছ মুহূর্ততে মণিসিদ্ধিয়ে কল্লুক ক'লে, "কল্লু, সেই সোণৰ হাঁহজনীক যেনেতেনে ধৰিবই লাগিব। ময়ো তোমাৰ লগত আছোঁ।"

কল্লু আৰু মণিসিদ্ধি ওলাল সোণৰ হাঁহ বিচাৰি। গৈ গৈ পাছদিনা দুপৰীয়া পৰতে সিহঁত দুয়ো এখন নৈৰ কাষ পালেগৈ। নৈখনৰ পাৰত থকা এজোপা গছৰ ডালত ওপৰ-ঠেঙীয়া আৰু তলমুৰা হৈ এজন সাধু বাদুলিৰ দৰে ওলমি আছিল, গছজোপাৰ তলত জ্বলি আছিল চিতাজুই। চিতাজুইৰ তীব্র তাপ সহিও সাধুৱে তপস্যা কৰি আছিল। কল্লু আৰু মণিসিদ্ধি সাধুৰ কাষ চাপি গ'ল। সাধুৱে চকু মেলি চাই সিহঁতক সুধিলে, "তোমালোক কোন? এনে অটব্য অৰণ্যত কিয় ঘুৰাফিৰা কৰি আছা?"

কল্লুৱে সাধুক সকলো কথা ক'লে।

এইবাৰ সাধু গছৰপৰা নামি আহিল, আৰু চিতাজুই ডেই আহি সিহঁত দুটাক ক'লে, "বোপাহঁত, মোৰ নাম বজ্রকণ্ঠ। মোৰ পিতাদেউ আছিল ৰজাৰ ধনভঁৰালী। মই আছিলোঁ এজন সাধাৰণ সৈন্য। এনিশা ৰজাৰ ধন-ভঁৰালত চুৰি—"

আৰু এই সাধুগৰাকীৰ কথা নৌ শেষ হওঁতেই সেই ধুনীয়া সোণ-বৰণীয়া



হাঁহজনী আটাইকেইজনৰ মূৰৰ ওপৰেদি ডেউকা কোবাই উৰি গ'ল।

তেতিয়া সাধুৱে সেই সোণৰ হাঁহজনীলৈ আঙুলিয়াই ক'লে, "সৌৱা, সৌৱা চোৱা সেই সোণৰ হাঁহ। তোমালোকৰ ভাগ্যও যে! নিশ্চয় সুবৰ্ণ সুযোগ তোমালোকৰ ভাগ্যতো আছে। হাঁহ য'তে ত'তে নাথাকে, থাকে সৰোবৰত। ব'লা, আমি এই সোণৰ হাঁহজনীক অনুসৰণ কৰি সেই সৰোবৰলৈ যাওঁ।"

তিনিও তেতিয়া সোণৰ হাঁহ বিচাৰি ওলাল। গৈ গৈ গৈ গৈ—তেওঁলোকে বাটত এটা কালী গোসাঁনীৰ মন্দিৰ দেখা পালে। মন্দিৰৰ ভিতৰত নিচেই সৰু ল'ৰা এটি বহি আছিল, আৰু ল'ৰাটি ভয়ৰ কোবত ঠিৰ ঠিৰকৈ কঁপি আছিল। ল'ৰাটোৰ কাষত ৰাখি থোৱা আছিল এখন খড়্গ। আন এটা শকত-আৱত মানুহো বহি আছিল তাত। সি কালী গোসাঁনীক বাৰে বাৰে সেৱা কৰি আছিল। এইবোৰ কথা-কাণ্ড দেখি তিনিও হতবাক হ'ল আৰু সেই মানুহটোৰ ওপৰত জঁপিয়াই পৰি তাক গৰা মাৰি ধৰিলে।

মানুহটোৱে দৃঢ়তাৰে ক'লে, "মই যদি মোৰ ল'ৰাক বলি দিওঁ, মোক বাধা দিয়াৰ কি অধিকাৰ আছেনো তোমালোকৰ?"

বজ্ৰকণ্ঠই ক্ৰুদ্ধ কণ্ঠেৰে ক'লে, "কিয় ল'ৰাটোক বলি দিবা?"

এই প্ৰশ্নৰ উত্তৰত ল'ৰাটোৰ দেউতাকে ক'লে, "মোৰ নাম মাণিক্যবৰ্মা। আমি যুগ যুগ ধৰি এই গোসাঁনীক পূজা কৰোঁ। কালী গোসাঁনীয়ে মোক সপোনত দেখা দি ক'লে যে ল'ৰা তিনিটাৰ মাজত সৰুটোক যদি বলি দিওঁ—তেনেহ'লে মোৰ ঘৰত সোণেৰে ঠাহ খাই পৰিব।"

মণিসিদ্ধিয়ে খঙতে কৈ উঠিল, "মূৰুখ ক'ৰবাৰ! তুমি এই খড়্গ ইয়াৰপৰা গুচাই দিয়া আৰু তাৰ পাছত মোৰ কথা শুনা।" এই বুলি কৈ, মণিসিদ্ধিয়ে মাণিক্যবৰ্মাক

সকলো কথা খুলি-মেলি ক'লে।

আৰু তাৰ পাছত চাৰিও একেলগ হৈ সোণৰ হাঁহজনীক বিচাৰি ওলাল। এদিন-এনিশা ধৰি একেৰাহে খোজ কাঢ়ি কাঢ়ি সিহঁত পাহাৰ এটাৰ কাষ পালেগৈ। সিহঁতে পাহাৰ বগাই ওপৰলৈ উঠিলেগৈ। তাত সৰোবৰ এটা দেখা পালে। তাত সিহঁতে আৰু দেখা পালে—

সেই বিশাল সৰোবৰৰ বুকুত ভাহি থকা কেইবাশও সোণৰ হাঁহ! কেৱল সোণৰ হাঁহেই নহয়, সৰোবৰৰ বুকুত সহস্ৰ সহস্ৰ সোণৰ পদুমো ফুলি আছিল।

এই অভূতপূৰ্ব দৃশ্যলৈ সিহঁত চাৰিও চাই থাকিল...চায়েই থাকিল...। আৰু বহু সময়ৰ পাছত—সোণৰ পদুম বুটলিবলৈ সিহঁত সৰোবৰৰ পানীত নামিল।

কিন্তু চিকাৰী কল্লু নানামিল। অলপ পাছত, সোণৰ হাঁহ ধৰাৰ মনেৰে, কল্লু সৰোবৰৰ পানীত জঁপিয়াই পৰিল। কিন্তু হাঁহবিলাকো চকুৰ পচাৰতে সৰোবৰৰ আন একাললৈ গুচি গ'ল।

কল্লুও কঁকাল বন্ধা মানুহ। সিও হাঁহবিলাকক নধৰাকৈ নেৰে। বহুদূৰলৈকে সাঁতুৰি গৈ গৈ—সাধু, মণিসিদ্ধি আৰু মাণিক্যবৰ্মাক চাবলৈ পিছলৈ ঘূৰি চাই এজনকো তাত দেখা নাপালে। কিন্তু—

হঠাৎ সি দেখা পালে এক অতি অদ্ভুত দৃশ্য! ঠিক তাৰ পিছফালে তিনিটা সোণৰ হাঁহ. সেই সোণৰ হাঁহ তিনিটাই তাৰ পিনে ডিঙি মেলি টঁ টঁকৈ চাই আছে!

এই দৃশ্য দেখি ভয় খাই কল্লু ততা-তৈয়াকৈ সৰোবৰৰ পানীৰপৰা পাৰলৈ উঠি আহিল আৰু পিছফালে এবাৰলৈকো ঘূৰি নাচাই পোনে পোনেই ঘৰলৈ বুলি গুমাই খোজ ল'লে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্য ক'লে, "হে ৰজা, কল্লুৰ দৰেই, আন তিনিওজনেই সোণ বিচাৰিহে ওলাইছিল। কিন্তু—কল্লু বাদে, আন

তিনিজন কিয় সোণৰ হাঁহলৈ ৰূপান্তৰিত হ'ল? কল্লু কিয় সোণৰ হাঁহ নহ'ল? মোৰ এই প্ৰশ্নৰ উত্তৰ জনা সত্বেও যদি সঠিককৈ নিদিয়া, তেনেহ'লে তোমাক নিশ্চয় কোনোবাই গৰত থৈ কাটিব, একোপ্ধ্যেই এই কথাৰ হেৰফেৰ নহ'ব।"

*

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই বেতালক ক'লে, "কল্লুৰ জীৱিকা আছিল চিকাৰ, বিশেষকৈ চৰাই চিকাৰ। কল্লু আছিল জাতে-পাতে চিকাৰী। কল্লুৱে যেতিয়া সোণৰ হাঁহ-জনীলৈ কঁড়িয়াইছিল, সি সেইজনীক এজনী সাধাৰণ হাঁহ বুলি ভাবিয়েইহে কঁড়িয়াইছিল। কিন্তু—মণিসিদ্ধি, সাধু বজ্ৰকণ্ঠ, আৰু মাণিক্যবৰ্মাৰ একমাত্ৰ আকাংক্ষা আছিল সোণলৈহে। এয়া আছিল সেই তিনিজনৰ দুৰাশা। সেই বাবে—সেই তিনিজনে সোণৰ হাঁহৰ কথা পাহৰি সোণৰ পদুম বুটলিবলৈ ধৰিছিল। কিন্তু চিকাৰী কল্লুৱে সোণৰ পদুম বুটলিবলৈ চেষ্টা নকৰিলে। কিয়নো—তাক সোণ নালাগিছিল, তাৰ আছিল মাথোন চৰাই ধৰাৰ প্ৰয়োজন। কল্লুৱে সোণৰ মৰীচিকাৰ পিছ খেদি যোৱা নাছিল। সি তাৰ লগৰীয়া তিনিজনক সোণৰ হাঁহলৈ ৰূপান্তৰিত হোৱা দেখি মুহূৰ্ততে বুজি পাইছিল সোণৰ লুভীয়াইঁতে সিহঁতৰ প্ৰাপ্য দণ্ড পালে। আৰু এই কথা উপলব্ধি কৰিয়েই কল্লু সৰোবৰৰ পানীৰপৰা উঠি নিৰ্লোভ মনেৰে যাব পাৰিলে নিজৰ গাঁৱলৈ। এই কথাত সামান্য সন্দেহৰো কোনো থল নাই যে লোভৰ বীভৎস দৃশ্যইহে কল্লুক কলিয়ে পোৱাৰপৰা ৰক্ষা কৰিছিল।"

*

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



মুক্ত মনৰ মানুহ

সুপ্ৰাচীন কালত মগধদেশত শৈৱ আৰু বৈষ্ণৱসকলৰ মাজত আনকি সৰুসুৰা বিষয়তো বিৰোধৰ সৃষ্টি হৈছিল। মগধৰ ৰাজধানীত শৈৱ আৰু বৈষ্ণৱসকলৰ বাবে কষাকষিকৈ দুটা মন্দিৰ আছিল।

এই মন্দিৰদ্বয়ৰ চোৰা-চিঁতাৰ বাবে কাক নিযুক্ত কৰা হ'ব, সেই বিষয়ে ৰজাই তেওঁৰ মহামন্ত্ৰী মাধৱবৰ্মাক সুধিলে। মহামন্ত্ৰী মাধৱবৰ্মাই অলপ সময় চিন্তা কৰি ৰজাক ক'লে, "মহাৰাজ, কোনোবা ধৰ্ম-নিৰপেক্ষ মানুহক এই গুৰুদায়িত্বপূৰ্ণ কৰ্মত নিযুক্ত কৰা আৱশ্যক। বৈষ্ণৱধৰ্ম আৰু শৈৱধৰ্ম সম্পৰ্কে তেওঁৰ যথেষ্ট জ্ঞান থাকিব লাগিব, দৃষ্টিভংগীও নিৰপেক্ষ হ'ব লাগিব।"

"তেনেকুৱা জ্ঞানৱন্ত কোনোবা ওলাবনে?" ৰজাই মহামন্ত্ৰীক সুধিলে।

"ওলাব।" মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, শিৱৰামৰ নাম আপুনি হয়তো কেতিয়াবা শুনিছেই। শিৱৰামেই হ'ব এই গুৰু-দায়িত্ব লোৱাৰ যোগ্য ব্যক্তি।"

ৰজাই তৎক্ষণাৎ শৈৱমন্দিৰ আৰু বৈষ্ণৱমন্দিৰৰ চোৰা-চিঁতাৰ বাবে সেই শিৱৰামক নিযুক্ত কৰিলে।

কিছু দিনৰ পাছত দুয়োটা মন্দিৰত জন-সমাগম যথেষ্ট বাঢ়িল। বিভিন্ন ব্যক্তিৰ যোগেদি মন্দিৰ দুটাৰ যথোপযুক্ত উন্নতিৰ কথা শুনি মহাৰাজ মহানন্দ আনন্দিত হ'ল।

বহু দিনৰ অন্তত, মহাৰাজ মহানন্দই এদিন এজন ব্যৱসায়ীৰ ভেশছন লৈ সেই মন্দিৰ দুটা পৰিদৰ্শনৰ মনেৰে ওলাল।

মন্দিৰৰ অৱস্থা চাই ৰজাই ভালেই পালে। তেওঁ মন্দিৰ দুটাৰ পৰিদৰ্শক

সুমিতা দেৱী

শিৰৰামৰ ওচৰলৈ গ'ল, আৰু তালপাতৰ ওপৰত লিখি 'এশ মোহৰ' শিৰৰামক দিলে। তাৰ পাছত ছদ্মবেশী ৰজাই শিৰৰামক সুধিলে, "হ'বনে?"

"চাওক, দান সকলোটিয়েই তো দিব নোৱাৰে, কিন্তু কাম তো সকলোটিৰ বাবে কৰিব লাগিব। গতিকে—যিসকল ভাগ্যৱান, সেইসকলেহে জোখে-জোখাৰে দিয়ে, দিছে, আৰু দিব। ৰাইজৰ মংগলৰ বাবে আমাৰ যে কিমান ধনৰ প্ৰয়োজন! তেনেস্থলত — আপোনালোকৰ নিচিনা দানীসকলে যদি অলপ বেছিকৈ নিদিয়ে আমিনো কি কৰিম? আপোনাৰপৰা আৰু অলপ অধিককৈ আশা কৰিছোঁ।" শিৰৰামে হাঁহিমুখেৰে কথাবোৰ ক'লে।

ছদ্মবেশী ৰজাই ক'লে, "অধিককৈ দিলেই যে অধিক কাম হ'ব তাৰ কিবা নিশ্চয়তা আছে জানো?"

"চাওক, ভক্তসৰে দিয়ে, লয় ঈশ্বৰে। শুনা কথা, দান-ধৰ্ম হেনো গুপুতে কৰিব লাগে। কি দিলে বা কি নিদিলে, সেই কথাও গুপুতেই ৰাখিব, আৰু থাকিব। আপুনি মন কৰিলে এশৰ সোঁফালে আৰু এটা শূন্য যোগ কৰিব পাৰে।

ৰজাই তৎক্ষণাৎ তালপাতত লিখা ১০০ ৰ সোঁফালে এটা ১ লিখি দিলে।

তেতিয়া শিৰৰামে বিনম্ৰভাৱে ক'লে, "চাওক, আপুনি হ'ল দেশৰ এগৰাকী সন্মানিত ব্যৱসায়ী। শিৱ, ৰাম, বা কৃষ্ণ—সকলো সমান। যদি সোঁফালে এটা সংখ্যা লিখি এটা মন্দিৰৰউন্নতি সহায় কৰিলে, বাঁওফালেও তেনেকৈ আন এটা সংখ্যা লিখি আন মন্দিৰটোৰ উন্নতিৰ বাবে সহায় নকৰে কিয়?"

শিৰৰামে যে বাস্তৱিকতে এই জটিল কামৰ বাবে যোগ্য তথা মুক্ত মনৰ মানুহ, সেই কথাত মহাৰাজ মহানন্দ মহামন্ত্ৰীৰ সৈতে একমত হ'ল।





নন্দ আৰু মৌৰ্য্য-২

বংগদেশৰ দূতৰ জটিল প্ৰশ্নৰ সৰল উত্তৰ দিব পৰাত নন্দ-ৰাজসভাত মৌৰ্য্য চন্দ্ৰগুপ্তৰ মৰ্য্যাদা বাঢ়িল। চন্দ্ৰগুপ্তক হস্তীৰপিঠিত বহুৱাই, নগৰ পৰিভ্ৰমণান্তে তেওঁৰ ঘৰলৈ লৈ যোৱা হ'ল আৰু চন্দ্ৰগুপ্তক আৰু বন্দী কৰিব নোৱাৰিলে।

এই কালছোৱাত গ্ৰিছদেশৰ সম্ৰাট আলেকজান্দৰে ভাৰত আক্ৰমণ কৰিলে। আলেকজান্দৰ ভাৰতত কিছুকাল অতিবাহিত কৰিছিল। এই ছেগতে চন্দ্ৰগুপ্ত সুকৌশলে সম্ৰাট আলেকজান্দৰৰ সৈন্যবাহিনীত যোগদান কৰিলে আৰু যুদ্ধৰ বিভিন্ন কৌশল শিকি ল'লে।



এদিন গ্ৰিছৰ এগৰাকী সেনানায়কক চন্দ্ৰগুপ্তই অপমান কৰিলে। সেনানায়কে চন্দ্ৰগুপ্তক বন্দী কৰিবলৈ চেষ্টা কৰিলে, কিন্তু তেওঁ বন্দী কৰাত ব্যৰ্থ হ'ল। চন্দ্ৰগুপ্তই আত্মগোপন কৰিলে।

এই কালছোৱাত মগধৰ ৰাজসভাত অন্যান্যৰ লগত চাণক্যকো আমন্ত্ৰণ কৰা হৈছিল। কিন্তু দীন ব্ৰাহ্মণ চাণক্যক নন্দৰাজে ৰাজসভাত বহাৰ অযোগ্য বুলি কৈ বহিষ্কৃত কৰাত ক্ৰুদ্ধ চাণক্যই নন্দবংশ ধ্বংস কৰিব বুলি প্ৰতিজ্ঞা ল'লে।

আকস্মিকভাৱে চাণক্য আৰু চন্দ্ৰগুপ্তৰ মাজত দেখাদেখি হ'ল। চাণক্যৰ আছিল ক্ষুৰধাৰ বুদ্ধি আৰু চন্দ্ৰগুপ্তৰ আছিল অপৰিসীম সাহস। দুয়ো লগ লাগিল. আৰু দুয়োজন একমন হৈ নন্দবংশ ধ্বংস কৰিবলৈ উঠি-পৰি লাগিল।

মগধৰ পৰ্বতমালাৰ সিপাৰত থকা পৰ্বতক নামৰ আদিবাসীৰ ওচৰলৈ গৈ চাণক্যই পৰ্বতকৰ সৈন্যইতৰপৰা সহায় প্ৰাৰ্থনা কৰিলে। এই সহায়তাৰ বিনিময়ত পৰ্বতকক মগধৰ অৰ্দ্ধাংশ দিয়া হ'ব বুলি চাণক্যই পৰ্বতকক কথা দিলে।

পৰ্বতকৰ সৈন্যবাহিনীৰ সহায়ত চন্দ্ৰগুপ্তই মগধ আক্ৰমণ কৰিলেগৈ। উভয় পক্ষৰ মাজত প্ৰচণ্ড যুদ্ধ হ'ল আৰু এই যুদ্ধত নন্দৰ সৈন্যই়ত বেয়াকৈ পৰাজিত হ'ল।



নন্দই এটা ৰাক্ষসৰূপী অতি নীচ মানুহৰ সহায়তাৰে আত্মৰক্ষাৰ বাবে গুপুত বাটেৰে পলাই যাবলৈ ধৰিলে। কিন্তু তীক্ষ্ণবুদ্ধি চাণক্যই ৰজা নন্দক সেই গুপ্ত বাটত আটক কৰি বধ কৰিলে।

যুদ্ধৰ এই অন্তত চন্দ্ৰগুপ্তমৌৰ্য্য মগধৰ সিংহাসনত বহিল। এই অসামান্য সাহসী তথা বীৰশ্ৰেষ্ঠ চন্দ্ৰগুপ্ত অভিজ্ঞ আৰু সিংহাসনত অধিষ্ঠিত হোৱাত মগধৰ প্ৰজাবৰ্গ অতিশয় আনন্দিত হ'ল।



মহাৰাজ নন্দৰ মৃত্যুৰ পাছত নন্দৰ মন্ত্ৰী এগৰাকীয়ে চন্দ্ৰগুপ্তৰ বিৰুদ্ধে প্ৰতিশোধ ল'বলৈ চক্ৰান্ত কৰিলে। চন্দ্ৰগুপ্তক বিষ প্ৰয়োগ কৰি হত্যা কৰিবলৈ সুন্দৰী নাৰী এগৰাকীক দায়িত্ব দিয়া হ'ল। কিন্তু তীক্ষ্ণবুদ্ধি চাণক্যই এই জঘন্যতম ষড়যন্ত্ৰৰ কথা নজনাকৈ নাথাকিল।

চাণক্যৰ বুদ্ধিৰ বলেৰে সেই সুন্দৰী ধৰা পৰিল। সুন্দৰীয়ে ক্ষমা প্ৰাৰ্থনা কৰিলে। চাণক্যই এই সুন্দৰীক প্ৰাণভিক্ষা দিলে; কিন্তু প্ৰাণভিক্ষাৰ বিনিময়ত পৰ্বতকক হত্যা কৰিবলৈ ক'লে।

চাণক্যৰ বুদ্ধি অনুসাৰে এই সুন্দৰী পৰ্বতকৰ দেশলৈ গ'ল আৰু পৰ্বতকৰ মনত মোহ বিস্তাৰ কৰিলে। কিছুদিনৰ পাছত, চাণক্যৰ নিৰ্দেশত, মৌৰ লগত বিষ মিহলাই সেই সুন্দৰীয়ে পৰ্বতকক হত্যা কৰি মগধদেশখনক খণ্ডীকৃত হোৱাৰপৰা ৰক্ষা কৰিলে।

বামুণ হুতাশন

পদ্মনাভ আছিল গেলামালৰ দোকানী। তাৰ দোকান আছিল ধৰ্মনগৰ গাঁৱত। এবাৰ বেহা-বেপাৰৰ কামতে পদ্মনাভ জলমাঞ্চলি নামৰ গাঁৱলৈ যাবলগা হ'ল গৰুৰ গাড়ী এখনত উঠি।

বাটত এজন মানুহে পদ্মনাভক ক'লে, "মই পুৰুষোত্তমপুৰলৈ যাম। মোক দয়া কৰি গাড়ীত উঠাই লৈ যাবানে?"

হঠাৎ পদ্মনাভৰ ধাৰণা হ'ল, ইয়াক ক'ৰবাত সি আগে দেখিছিল। পদ্মনাভই ভাবিলে: ঠিক আছে, আগৰ চিনাকি নহ'লেও মোক বাঘে নাখাব নহয়? উঠাই লওঁৰেইচোন মানুহজনক।

ইকথা-সিকথাৰ অন্তত জনা গ'ল যে এই আগন্তুকৰ নাম ৰংগৰাজ। পুৰুষোত্তমপুৰত তাৰ হেনো তিনি হালিচা মাটি আছে, সি খেতি-খোলা কৰে, ইত্যাদি।

বাটত কত যে মগনিয়াৰে ভিক্ষা খুজিলে। পদ্মনাভই সকলো মগনিয়াৰকে কিবা নহয় কিবা দিলে। আনহাতে ৰংগৰাজে কৈ থাকিল যে তাৰ ওচৰত একেবাৰে সৰু ধন নাই, গতিকে সি একো দিব নোৱাৰিব। আৰু নিদিলেও সি।

কথাটোলৈ মন কৰি পদ্মনাভই ৰংগৰাজক ক'লে, "হেৰা ৰংগৰাজ, মই অলপীয়াকৈ হ'লেও মগনিয়াৰহঁতক দিওঁ, আৰু অলপীয়াকৈ হ'লেও ধৰ্মৰ কাম কৰোঁ বুলি ভাবোঁ। মানুহ হৈ ওপজি যদি দুঃখীৰ দুখ পাতলাব নোৱাৰোঁ, এই মানৱ-জনম মিছা বুলি মই বিশ্বাস কৰোঁ।"

আৰু ঠিক এনেতে গাড়ীখনৰ এটা চকা ভাগি গাড়ীৰপৰা উফৰি পৰিল।

'নৱকুমাৰ'

পদ্মনাভ আৰু ৰংগৰাজ গাড়ীৰপৰা নামি আহিল আৰু ইফালে-সিফালে টহলি থাকিল। এনেতে তাত এজন বুঢ়া মানুহ ওলালহি। বুঢ়া মানুহজন চুটি-চাপৰ, ক'বলৈ গ'লে কঁটীয়া-বজৰুৱেই, হাতীৰ চকুতকৈয়ো সৰু চকু দুটা গাঁতত সোমোৱাবিধৰ, হাতত এডাল লাঠি।

দামী পোছাক পিন্ধি থকা পদ্মনাভক কঁটীয়া-বজৰু বুঢ়াই ক'লে, "দৌতা, মই যোৱা দুদিন ধৰি একো খাবলৈ নাই পোৱা। যদি ইচ্ছা হয়, মোক অলপ খোৱাবস্তু দিয়ক।" বুঢ়াই কাবৌকৈ ক'লে।

পদ্মনাভই লগে লগে কৈ উঠিল, "ওচৰে-পাঁজৰে ক'বাত মিঠাই-চিঠাইৰ দোকান আছে নে কি ক'ব নোৱাৰোঁ; পিছে — পুৰুযোত্তমপুৰত আছে।"

শুনি বুঢ়ী কঁটীয়া-বজৰুৱে উচুপি উচুপি ক'লে, "চোৱা দেউতা, তাত কেছুবাদাম পোৱা যায়। পিছে—ৰৰ দাম।"

এতিয়া ৰংগৰাজে বুঢ়াক ক'লে, "চোৱা ককা, তোমাৰ ভোক লাগিছে, খোৱা। ক'ত কি পাবা-নাপাবা, দামনে সস্তা, এইবোৰ বৰ ডাঙৰ কথা নহয়।"

বুঢ়াই ক'লে, "চোৱা দৌতা, তোমাৰ কথা শুনি মোৰ চকুপানী ওলাইছে। ভাল-বেয়া খাদ্য-অখাদ্য খাই নাচালে জীৱন একদম নেছেল।"

"চোৱাঁ, তোমাক যেতিয়াই যি লাগে,

তেতিয়া যে তাকে পাবা, তেংকুরা কথা নাই। কথাতে বোলে—মানুহে ভাবে হ'ব সিধি, বাটত আছে কণা বিধি। ঠিক আছে ককা তুমি এতিয়া ভোকাতুৰ। ভোক গুচোৱাটোৱেই হ'ল তোমাৰ প্ৰথম আৰু প্ৰধান কাম। এই কথা মই বহু আগৰেপৰাই জানিছোঁ। টোপনিয়ে জোকালে টোপনি মৰা আৰু খোৱাৰ ইচ্ছা হ'লে খোৱা—মানুহৰ ধৰ্ম। আৰু মই—মানুহৰ ধৰ্মত কদাপি হস্তক্ষেপ কৰাত নাই।" এই কৈ, ৰংগৰাজে যেনিবা এই প্ৰসংগৰ এইখিনিতে মোখনি মাৰিলে।

তাৰ পাছত বুঢ়াই ৰংগৰাজক প্ৰণাম কৰি ক'লে, "চোৱা দৌতা, মোৰ দাঁত দুপাৰি এতিয়াও ঠিকেঠাকেই আছে। মই কেছুবাদাম এতিয়াও অক্লেশে চোবাই গুড়ি কৰি খাব পাৰোঁ।" বুঢ়াই ৰংগৰাজে দিয়া কেছুবাদামবোৰ খাই আনন্দিত মনেৰে গুচি গ'ল তাৰপৰা।

ভোকাতুৰ বুঢ়াৰ মুখে-চকুৰে আনন্দৰ প্ৰকাশ দেখা পাই পদ্মনাভই নানান কথা ভাবি থাকিল: মই জীৱনত ঢেৰ দান-ধৰ্ম কৰিলোঁ। কিন্তু—আজি ৰংগৰাজৰ এই দান উচ্চখাপৰ দান। নিজৰ খাদ্যখিনি ক্ষুধাৰ্তক দিলে সি। ৰংগৰাজে যেনেকৈ দান কৰিব পাৰিলে, মই জীৱনতো নোৱাৰিম তেনেকৈ। নীতি-বচন আওৰোৱা বৰ সহজ, আনক কোৱাটো আৰু সহজ,

কিন্তু নিজে সেই নীতি-বচন পালন কৰাটোহে টানৰো টান কাম।”

ইমান সময় ধৰি পদ্মনাভই ৰংগৰাজক এটা লুভীয়া চিকটা বুলি ভাবিছিল। কিন্তু এতিয়া তাৰ সেই ধাৰণাৰ সলনি হ'ল। পদ্মনাভই ৰংগৰাজক ক'লে, “হেৰাহে ৰংগৰাজ, এটা কথাত মই বৰ আচৰিতেই মানিছোঁ। আমি দুয়ো একেখন দোকানতে কেছুবাদাম কিনিছিলোঁ। কিন্তু—

পদ্মনাভৰ কথা নৌ শেষ হওঁতেই ৰংগৰাজে মুচুককৰে হাঁহি মাৰি ক'লে, “মোৰ পৰিবাৰৰ এতিয়া গা-ভাৰী হৈছে। মই তাইৰ কাৰণেহে কেছুবাদামখিনি কিনিছিলোঁ। সাধাৰণভাৱে—চীনবাদাম কিনিবপৰা অৱস্থাও মোৰ নাই।”

এই কথা কোৱাৰ পাছত ৰংগৰাজে কুঁৱাৰ পানীৰে হাত-ভৰি ধুই ল'লেগৈ। তিমানতে তাৰ নিজৰ গাড়ীখন সেই ঠাই পালেহি, আৰু সি তাৰ গাড়ীত উঠি পুৰুষোত্তমপুৰ পাই নিজৰ ঘৰলৈ গুচি গ'ল।

ঘৰত ৰংগৰাজৰ পৰিবাৰে ৰংগৰাজক সুধিলে, “কেছুবাদাম আনিলানে ?”

ৰংগৰাজে মূৰ জোকাৰিলে আৰু অনা নাই বুলি ঘৈণীয়েকক ক'লে।

তাৰ পাছত তাৰ পৰিবাৰে সি লৈ অহা টোপোলা এটাৰপৰা ইটো-সিটো বস্তু উলিয়াওঁতে কেছুবাদামৰ টোপোলা এটাও পালে। তেতিয়া তাই গিৰিয়েকক ক'লে, “এয়া দেখোন কেছুবাদামৰ টোপোলা ! নাই অনা বুলি ক'লা যে— ?”

পৰিবাৰৰ কথা শুনি আৰু কেছুবাদামৰ টোপোলা এটা দেখি অবাক হৈ পৰা ৰংগৰাজে ক'লে, “পদ্মনাভ—দেখিছোঁ অতি উচ্চথাপৰ মানুহ ! মই হাত-ভৰি ধুই থাকোঁতে পদ্মনাভয়েই নিশ্চয় মোৰ মোনাটোত সি কিনি অনা কেছুবাদামৰ টোপোলাটো ভৰাই থৈছিল। তেওঁ নিজৰ লগুণ পৰক দি বামুণ হুতাশন হ'ল !”

১

এনিশা অক্রূৰে বলৰাম আৰু কৃষ্ণৰ সৈতে ভোজন কৰিলে, আৰু তাৰ পাছত একেলগে একেটা শোৱনি কোঠাত শুলেগৈ। অক্রূৰে কৃষ্ণক ক'লে, "বোপা কৃষ্ণ, উপজিয়েই তুমি অসম্ভৱ কামকো সম্ভৱ কৰিলা। কিন্তু জীৱনত আশীৰ্বাদৰো আৱশ্যক আছে। তোমাৰ পিতাদেউৰা বসুদেৱ যথেষ্ট চহকী। বলৰাম আৰু কৃষ্ণৰ নিচিনা পুত্ৰ থাকোঁতেও কংসৰপৰা অপমান পাব লাগিব—এই কথা চিন্তাৰো অযোগ্য। তোমালোকৰ পিতাৰক কংসই বিভিন্নভাৱে অপমান কৰিলে। দৈৱকী দেৱীৰ শোকে-দুঃখে কুলাই-পাচিয়ে নধৰা হৈছে। কিয়নো—তেওঁৰ আঠাইবোৰ সন্তানকে কংসই ধ্বংস কৰি পেলাইছে। এই শোক-দুঃখৰ বিকল্প নাই।"

কৃষ্ণৰ নিচিনা ল'ৰা এটিক কংসই মাৰি পেলাব—এই কথা মাতৃ হৈ কেনেকৈ সহ্য কৰিব তেওঁ? এই কথা ভাবি ভাবি কৃষ্ণৰ মাতৃৰ ক্ষুধা নাছিল, নিদ্ৰা নাছিল।

অক্রূৰৰ কথা শুনি কৃষ্ণ মথুৰালৈ গ'ল, আৰু কংসক বধ কৰি মাতৃ দৈৱকীক আৰু পিতৃ বসুদেৱক নিশ্চিন্ত তথা আনন্দিত কৰিলে।

পাছদিনা, কৃষ্ণ আৰু বলৰাম অক্রূৰক লগত লৈ উভতি গ'ল। গোপিনীসকল কৃষ্ণৰ ৰথৰ পিছে পিছে বহুদূৰলৈকে গ'ল। কৃষ্ণ গুচি যোৱাৰ কথাত সিহঁতে

'কংসৰ আহ্বান'



ভাল নাপালে। কেইজনীমানে অক্ৰূৰক কৰ্কথনাও কৰিলে। সিহঁতে ভাবিছিল যে কৃষ্ণক অক্ৰূৰে জোৰ কৰি লৈ গৈছিল। সিহঁতে নিজৰ মাজত কোৱাকুই কৰি থাকিল যে এতিয়া যদি আন কোনোবা ৰাক্ষসে সিহঁতক আক্ৰমণ কৰেহি, তেনেহ'লে কৃষ্ণ বিনে কোনেনো ৰক্ষা কৰিব ?

দুপৰীয়া ৰথখন এঠাইত ৰ'লহি। তাত এজোপা কদম্ববিৰিখ আছিল। অক্ৰূৰে বলৰামক ক'লে, "মই স্নান কৰিবলৈ নৈলৈ গৈছোঁ। বেছি সময় নলওঁ। মই নৈৰপৰা উভতি নহালৈকে আপোনালোক অনুগ্ৰহ কৰি ক'লৈকো নাযাব, ৰথতে বহি থাকিব। অশ্ববিলাকক ঘাঁহ খাবলৈ চৰি ফুৰিবলৈ মেলি দিব। সিহঁতৰ বিশ্ৰামৰো আৱশ্যক হৈছে।"

নৈৰ পানীত ডুব দিয়াৰ লগে লগে অক্ৰূৰে এক আচৰিত দৃশ্য দেখা পালে। পানীৰ তলত ভালেমান নাগ ঘূৰা-ফিৰা কৰি আছিল। এই নাগ অৰ্থাৎ সাপবিলাকক বৰ বিষধৰ যেন লাগিছিল আৰু এইবিলাক সাধাৰণ সাপ নহয় বুলি বোধ হৈছিল।

আৰু তাৰ পাছত অক্ৰূৰে যি দৃশ্য দেখা পালে, সেই দৃশ্য আছিল অভাৱিত ! পানীৰ অতল তলীত অক্ৰূৰে কৃষ্ণক আদিশেষৰ মস্তকোপৰি বহি থকা দেখা পাই বিস্ময়ত হতবাক হ'ল। অক্ৰূৰে ৰথোপৰি বহি থকা বলৰামলৈ চাই পঠালে আৰু উপলব্ধি কৰিলে যে যি কৃষ্ণ সিয়েই বলৰাম। কৃষ্ণ আৰু বলৰাম একেই, এই দুজনৰ মাজত একো প্ৰভেদ নাই !

পৰিশেষত অক্ৰূৰ পুনৰ সেই ৰথত উঠিলহি। অক্ৰূৰে কৃষ্ণক কিবা ক'বলৈ ধৰোঁতে কৃষ্ণই অক্ৰূৰক কৈ উঠিল, "অক্ৰূৰ, তুমি কিজানি আকাশ-পাতালৰ বহুতো কিবাকিবি দেখিলাই। তোমাৰ দৃষ্টিত জ্ঞান প্ৰতিফলিত হৈ উঠিছে।"

"হে কৃষ্ণ ! মই যিমানেই যি য'ত

নেদেখোঁ, সকলোতে তোমাকহে মই দেখা পাওঁ। তোমাৰ ৰূপৰ বৰ্ণনা স্বয়ং ব্ৰহ্মায়ো কৰিব পাৰিবনে সন্দেহ আছে। মোৰ প্ৰতি তোমাৰ অনুগ্ৰহ বজাই থাকিলেই মই সুখী হ'ম। যি কি নহওক, আমি এই ঠাইত আৰু বৈ থকাৰ আৱশ্যকতা নাই। কংসই প্ৰতি মুহূৰ্ত্ততে তোমাক পাবলৈ আশা পালি বৈ থাকিব। সূৰ্য্যাস্তৰ আগে আগেই আমি ৰাজধানী মথুৰা পাবগৈ লাগিব।"

"আমি এতিয়া তোমাৰ অধীনত আছোঁ। তুমি যি ক'বা, যেনেকৈ ক'বা, যিদৰে চলাবা, চলি থাকিম।" কৃষ্ণই হাঁহি হাঁহি ক'লে।

আৰু সন্ধিয়াৰ আগে আগে কৃষ্ণ-বলৰামক লৈ ৰথখনে মথুৰা পালেগৈ।

কৃষ্ণই অক্ৰূৰক ক'লে, "চোৱা অক্ৰূৰ, আমি হ'লোঁ গাঁৱলীয়া, গাঁৱতে জীৱন কটাওঁ। এয়ে পোনবাৰৰ বাবে নগৰ দেখা পাইছোঁ। সেই দেখি ভাবিছোঁ, কংস মহাৰাজৰ আগত উপস্থিত হৈ দণ্ডৱৎ হোৱাৰ আগতে মথুৰানগৰখন ঘূৰি-পকি চোৱাৰ মন। কিয়নো—কংস মহাৰাজৰ সৈতে ভেটাভেটি হোৱাৰ পাছত কাৰ দিন কাৰ ৰাতি নহৈ নাই তই নাই মই হোৱাৰ সম্ভাৱনাও দেখোন নথকা নহয়।"

নগৰ পাই, ৰথৰপৰা নমাই, অক্ৰূৰে কৃষ্ণ আৰু বলৰামক ক'লে, "তোমালোক চাগে' বসুদেৱৰ তালৈ যাবলৈ মন কৰিছা। কিন্তু এতিয়াই তালৈ নাযাবা। আগতে কংসৰ সৈতে সাক্ষাৎ কৰি, তাৰ পাছত বসুদেৱৰ তালৈ যাব পাৰিবা। নহ'লে তেওঁ অতিপাত ক্ৰুদ্ধ হৈ পৰিব।"

এই কথা কৈয়েই, পুনৰ কৃষ্ণ-বলৰামক ৰথত উঠাই, দ্ৰুত গতিৰে ৰথ চলাই অক্ৰূৰ কংসৰ সমীপলৈ গ'ল।

কংসক অক্ৰূৰে কৃষ্ণ-বলৰামৰ অহাৰ কথা কোৱাত কৃষ্ণ-বলৰামক চাবলৈ কংস মহাৰাজ অস্থিৰ হৈ উঠিল।



কৃষ্ণ-বলৰাম যেতিয়া মথুৰানগৰৰ ৰাজ আলিয়েদি খোজ কাঢ়ি কাঢ়ি গৈ আছিল, তেতিয়া তেওঁলোকৰ কাষেদি ভালেমান হস্তীও গৈ আছিল। নগৰীয়া ৰাইজ কৃষ্ণ-বলৰামক দেখি বিমোহিত হ'ল! এইদৰে, কিছুদূৰলৈ বাট কুৰি বাই যোৱাৰ অন্তত কৃষ্ণ ৰংগকাৰ নামৰ ধোবা এজনৰ ঘৰ পালেগৈ। কৃষ্ণই সেই ধোবা ৰংগকাৰক ক'লেগৈ, "হেৰা, আমি আজি মহাৰাজ কংসক দৰ্শন কৰিবলৈ যাম। কিন্তু এই সাজ-পাৰ পিন্ধি তালৈ যাওঁনো কেনেকৈ? তুমি আমাক বাছকবনীয়া সাজ-পাৰ দিয়া। দিয়া যদি—তোমাৰ শলাগ ল'ম, যদিহে নিদিয়া, তোমাৰ দফা ৰফা কৰিহে এৰিম।"

কৃষ্ণৰ দম্ভি মৰা কথা শুনি ৰংগকাৰে দাং খাই উঠি ক'লে, "ছনে-বনে ঘঁটা কোবাই ফুৰাহঁতে পিন্ধিব বাছকবনীয়া সাজ-পাৰ! বাছকবনীয়া সাজ-পাৰ কেৱল সেই আটকধুনীয়া ৰজাঘৰীয়াকহে শুৱায়। এনেবোৰ সাজ-পাৰ ধুম-বলিয়াহঁতৰ কাৰণে নহয়। মান্যমান হ'ব লাগে।"

আৰু কৃষ্ণই মুহূৰ্ততে তৰোৱালেৰে এই ধোবাটোৰ মুণ্ড উৰাই দিলে। ধোবা ৰংগকাৰৰ ভালেকেজনী ঘৈণীয়েক আছিল। গিৰিয়েক এইদৰে মৰাত, সিহঁতকেজনীয়ে হায়ঔ বিঔকৈ নগৰত কান্দি কান্দি এই ঘটনাৰ কথা কৈ ফুৰিবলৈ ধৰিলে।

ইপিনে—কৃষ্ণই হালধীয়া বৰণৰ পোছাক সেই ধোবাৰ কাপোৰৰ দ'মৰপৰা উলিয়াই লৈ পিন্ধিলে, আৰু বলৰামক পিন্ধিবলৈ দিলে এযোৰ নীল বৰণৰ পোছাক। তাৰ পাছত, ধোবাৰ কাপোৰৰ দ'মটোত যিমান পোছাক-পাতি আছিল, ওচৰে-পাঁজৰে থকাহঁতৰ মাজত বিলাই দিলে। সিহঁতে, এইবোৰ পোছাক-পাতি ল'বলৈ ভয় খোৱাত কৃষ্ণই সিহঁতক ক'লে, "ভয় নকৰিবা। নিৰ্ভয়ে পিন্ধাগৈ।" আৰু এইদৰে বিলাই দিয়াৰ অন্ততো যিখিনি



কাপোৰ-কানি থাকি গ'ল, সেইখিনিত কৃষ্ণই জুই লগাই দিলে। আনকি ধোবাৰ ঘৰটোতো জুই লগাই দিলে কৃষ্ণই।

তাৰ পাছত কৃষ্ণ-বলৰাম পুনৰ গৈ থাকিল ৰাজ আলিয়েদি। বাটত গুণক নামৰ মলীয়া এজনৰ লগত কৃষ্ণ-বলৰামৰ দেখাদেখি হ'ল। কৃষ্ণই মলীয়া গুণকৰপৰা ভাল ভাল ফুলমালা বিচাৰিলে। কৃষ্ণ-বলৰামক দেখি মালাৰ যোগনিয়াৰ গুণকে ভাবিলেঃ এওঁলোক নিশ্চয় সিদ্ধপুৰুষ, নহ'লে—যক্ষ হ'ব। এই কথা ভাবি মলীয়া গুণকে কৃষ্ণক ক'লে, "যি আজ্ঞা! আপোনালোকক যিমান লাগে সিমানেই মালা দিম।" এই বুলি কৈ, মলীয়া গুণকে সঁচাসঁচিকৈ তাৰ ওচৰত যিমান আছিল, আটাইখিনি ফুলৰ মালা কৃষ্ণক দিলে।

কৃষ্ণ-বলৰামে মস্তকত, কণ্ঠত আৰু বাহুতে সেইবোৰ মালা পিন্ধি ৰাজপথেদি পুনৰ গৈ থাকিল।

এইদৰে গৈ থাকোঁতে বাটত এজনী কাং ওলোৱা কুঁজা ছোৱালীক দেখা পাই কৃষ্ণই তাইক সুধিলে, "ইমান মনমোহা আমোল-মোলোৱা আতৰ কাৰ কাৰণে লৈ গৈ আছানো?"

ছোৱালীজনীয়ে কৃষ্ণৰ প্ৰশ্নৰ উত্তৰত ক'লে, "মহাৰাজ কংসই স্নান সমাপন কৰাৰ পাছত এই সুগন্ধি আতৰৰ বাবে ৰৈ থাকে। তেওঁ মোৰ বাহিৰে আন কাৰোপৰা আতৰ নলয়। তোমালোকক দেখা পাই তোমালোকৰ লগত কথা পতাৰ মন গৈছিল্ বাবেহে ইমানখিনি তোমালোকক ক'লোঁ। কিন্তু আৰু কথা পাতিব নোৱাৰিম, মই আৰু মুহূৰ্তমানো পলম কৰিলে মহাৰাজৰ তিগ্ৰমাণ্ডি খং উঠিব। মই এতিয়া যাওঁ।"

ছোৱালীজনীক হাত দাঙি ৰখাই কৃষ্ণই ক'লে, "চোৱাঁ, আমি দুয়ো আন এখন দেশৰপৰা ইয়ালৈ আহিছোঁ— তোমালোকৰ মহাৰাজে পতা উছৱ চাবলৈ।

আমি হ'লোঁ মাল-যুঁজাৰু। এই উছৰৰ কথা আমি আমাৰ দেশলৈ উভতি গৈ পঞ্চমুখে ক'মগৈ। এতেকে কওঁ—এই সুগন্ধি আতৰ যদি আমাকো দিয়া, আমি মহাৰাজৰ গুণ-গান কৰাৰ দৰে তোমাৰ গুণো গাই থাকিম। তোমাৰ সুগন্ধি আতৰ গাত সানি আমি মহাৰাজ কংসৰ আগত ওলামগৈ। তেতিয়া আমাৰো আনন্দ, আৰু মহাৰাজৰো বিনন্দ।"

কৃষ্ণৰ কথা শুনি কাংওলোৰা কুঁজা ছোৱালীজনীয়ে হাঁহি মাৰি আতৰখিনি কৃষ্ণক দিলে।

কৃষ্ণই এই আতৰ প্ৰথমে ককায়েক বলৰামৰ গাত সানিলে আৰু পাছত নিজৰ গাত। তাৰ পাছত যিখিনি আতৰ থাকি গ'ল, সেইখিনি তাত ৰং চাই থকাহঁতৰ মাজত বাঁটি দিলে।

চুটি-চাপৰ ছোৱালীজনীয়ে এককথাত কংস ৰজাৰ বাবে লৈ যোৱা আতৰখিনি দিয়াত কৃষ্ণই ছোৱালীজনীক মৰমতে ছুই দিলে, আৰু লগে লগে সেই কাংওলোৰা কুঁজা ক'লী কুৰূপা ছোৱালীজনী এজনী অপৰূপ ৰূপৱতী চালে চকু ৰৈ যোৱা নাৰীমূৰ্তি হৈ পৰিল!

নিজৰ এনে অপূৰ্ব সৌন্দৰ্য্যলৈ চাই বিস্মিতা-বিভ্ৰান্তা ছোৱালীজনীয়ে কৃষ্ণক ক'লে, "মই কেনেকৈনো মোৰ কৃতজ্ঞতা প্ৰকাশ কৰোঁ? যি কি নহওক—আপুনি এটিবাৰলৈ আমাৰ ঘৰলৈ যাব লাগিব। আপুনি সন্মত নোহোৱালৈকে মই আপোনাৰ লগ নেৰোঁ।" এই বুলি কৈ, তাই কৃষ্ণৰ হাতত ধৰি আঁজুৰিৰলৈ ধৰিলে।

তেতিয়া কৃষ্ণই তাইক ক'লে, "মোৰ এতিয়া বহুত কাম। এতিয়া তোমালোকৰ ঘৰলৈ যাব নোৱাৰিম। তোমাক মই মনে-চিতে গ্ৰহণ কৰিলোঁ। কিন্তু এই মুহূৰ্তত মোক তুমি নামাতিবা।"

এই কথা কোৱাৰ অন্তত কৃষ্ণ-বলৰাম পুনৰ আগুৱাই গৈ থাকিল আৰু বাটত

Sankar...

আন কোনো ঘটনা-দুৰ্ঘটনাৰ সৃষ্টি নকৰি এখোজ-দুখোজকৈ কংসৰ প্ৰাসাদপালেগৈ।

কংস মহাৰাজৰ প্ৰাসাদত তেতিয়া হৈ-হুলস্থূল। মানুহৰ খদমদম। বহু দেশৰ ৰজাই মহাৰাজ কংসলৈ বিভিন্ন মূল্যৱান উপহাৰ প্ৰেৰণ কৰিছিল। কোনোবা ৰজাই হস্তী, কোনোবাই অশ্ব, কাৰোবাৰপৰা অতি সুদৃশ্য ৰথ ইত্যাদি। উপঢৌকনসমূহ কংসৰ প্ৰাসাদৰ সমুখত থৈ দিয়া হৈছিল। কৃষ্ণ আৰু বলৰামে যেতিয়া কংসৰ প্ৰাসাদ পালেগৈ, তেতিয়াও উপঢৌকন আহিয়েই আছিল।

কংস মহাৰাজৰ অস্ত্ৰাগাৰ চাবলৈ বহু সংখ্যক ৰজাই তাত ৰৈ আছিল। ৰজাসকলে সেই অস্ত্ৰাগাৰ পৰিদৰ্শনৰ কালত বলৰাম আৰু কৃষ্ণই অস্ত্ৰাগাৰৰ ৰক্ষকহঁতক ক'লে, "মহাৰাজ কংসৰ অস্ত্ৰাগাৰ চাবলৈ আমি বহু দূৰৰপৰা আহিছোঁ। আমাক অস্ত্ৰাগাৰত সোমাই যাবলৈ দিয়া।"

অস্ত্ৰাগাৰ চাই কৃষ্ণই ক'লে, "শুনিছিলোঁ—ইমান অস্ত্ৰ হেনো কোনো দেৱতাৰ বা দানৱৰো নাই। এবাৰ পৰীক্ষা কৰি চাওঁ৷ইচোন।" এই বুলি কৈ, কৃষ্ণই অস্ত্ৰাগাৰৰ আটাইতকৈ গধুৰ ধনুটোক এটা আঙুলিৰে দাঙি চালে। এই ধনুটোক কোনেও কোনোপধ্যে দাঙিব নোৱাৰিব বুলি প্ৰচাৰিত আছিল। কিন্তু কৃষ্ণই এই ধনুটোক দাঙি খণ্ড-বিখণ্ড কৰি পেলালে! তাৰ পাছত কৃষ্ণ মানুহৰ ভিৰৰ মাজত নোহোৱা হ'ল। কৃষ্ণক কোনেও বিচাৰি উলিয়াব নোৱৰা হ'ল।

অস্ত্ৰাগাৰৰ ৰক্ষকহঁত কংস মহাৰাজৰ ওচৰলৈ লৰৰি গ'ল। কংস তেতিয়া অন্তেষপুৰত আছিল। বহু চেষ্টাৰ অন্তত অস্ত্ৰাগাৰৰ ৰক্ষকহঁতে বেঙে মূতা গৰুৰ দৰে হৈ, ধাৰৰ নল কঁপাদি কঁপি কঁপি, কংস মহাৰাজক ঘটনাৰ কথা কৈ কৈ মূৰা কুক ভৰাবলৈ চেষ্টা কৰিলে।





গোঁজেই গজালি

ব্রিটনী নামৰ এটা দুৰ্গ আছিল। এই দুৰ্গত আছিল এগৰাকী সামন্ত ৰজা। এইগৰাকী সামন্তৰজা বয়সত আছিল যুৱক। দেশৰ ৰজাই এই যুৱা সামন্তক বৰ মৰম কৰিছিল। এই যুৱা সামন্তৰ নাম আছিল জাভিয়েৰ।

সামন্ত জাভিয়েৰৰ মৰমিয়াল পত্নী জিনা আছিল চালে চকু বৈ যোৱা বিধৰ ৰূপৱতী। জিনা দেখাতো ৰূপৱতী, কাম-কাজতো গুণৱতী, আচাৰ-আচৰণতো নিষ্ঠাৱতী। ওপৰি ওপৰি চালে তাইক অতি বিশ্বস্ত পতিপ্ৰাণা যেন লাগিছিল।

কিন্তু ভিতৰি ভিতৰি তাই আন এক সামন্তক ভাল পাইছিল, আৰু কি উপায়ে ইয়াক এৰি সেই সামন্তক বিয়া কৰাব সেই কথা দিনে-নিশাই চিন্তিছিল।

এটা বিশেষ কথালৈ জিনাই মন কৰিছিল যে সপ্তাহে প্ৰতি তিনি দিনৰ বাবে তাইৰ গিৰিয়েক জাভিয়েৰ নোহোৱা হয়। এদিন তাই ভাবিলে ঃ এই তিনি দিনীয়া ৰহস্য উদ্ধাৰ কৰিব পাৰিলেই কিজানি মোৰ উদ্দেশ্য সিজিব। —তাই গিৰিয়েকক সুধিলে, "তুমি প্ৰতি সপ্তাহত তিনিদিনকৈ ঘৰত নাথাকা কিয় ?"

"সেই কথা কাকোক'ব নোৱাৰি।"

"হয়নে ? মোকো ক'ব নোৱাৰিবা ?" অভিমানত জিনাই উচুপি থাকিল।

তেতিয়া জাভিয়েৰে বাধ্যত পৰি, আন কাকো নক'বলৈ জিনাক তিনি সইত খুৱাই লৈ ক'লে, "সপ্তাহেপ্ৰতি তিনিদিনকৈ মই অৰণ্যত কুকুৰনেচীয়া হৈ ঘূৰি ফুৰোঁ। এয়া মোৰ ওপৰত

'ফৰাচিদেশৰ সাধুকথা'



অভিশাপৰ ফল। এই অভিশাপৰপৰা মোৰ মুক্তি নাই।"

"তুমি দেখোন মানুহ! কেনেকৈনো কুকুৰনেচীয়ালৈ ৰূপান্তৰিত হোৱা!" বিস্মিতা জিনাই সুধিলে।

"অৰণ্যলৈ যোৱাৰ পাছত মোৰ পোছাক-পাতি এঠাইত সোলোকাই থৈ দিওঁ, আৰু পোছাক-পাতি সোলোকোৱাৰ লগে লগেই মই কুকুৰনেচীয়ালৈ ৰূপান্তৰিত হৈ যাওঁ। একেৰাহে তিনিদিন ধৰি তেনেকৈ থকাৰ অন্তত পুনৰ নিজৰ পোছাক-পাতি পিন্ধি লওঁ, আৰু মানুহৰ ৰূপ ঘূৰাই পাওঁ।" জাভিয়েৰে ক'লে।

"পোছাক-পাতিখিনি ক'ত থোৱা?"

"এই কথাটো কাকো ক'ব নোৱাৰি, ইমানেই গুপুত কথা। কিয়নো—এবাৰ যদি কোনোবাই কেনেবাকৈ মোৰ সেই পোছাকযোৰ লৈ যায়, মই আৰু একো-পধ্যে মানুহৰ ৰূপ ঘূৰাই নাপাওঁ।"

শুনি চটাই পাখৰীজনীৰ গা-মন সাত-খন-আঠখন। আধাতকৈ বেছি কাম সিজিলেই। বাকীখিনি উলিয়াব নোৱাৰিবনে? এইবাৰ জাভিয়েৰক বজৰ-লেপৰ দৰে ধৰিলে: মোক ভালেই পোৱা যদি পোছাক ক'ত থোৱা ক'ব লাগিব।"

আৰু অৱশেত জাভিয়েৰে কৈয়েই পেলালে তাইক, "অৰণ্যত এটা এৰাবাৰী আছে, তাৰ ওচৰত আছে এটা গুহা। সেই গুহাটোৰ ভিতৰত পোছাক-পাতি-খিনি থৈ দিওঁ। কিন্তু সাৱধান—ভুলতো কাকো নক'বা, ক'লে সৰ্বনাশ হ'ব।"

আৰু তাৰ পাছত তাই তাইৰ প্ৰেমিকক সকলো কথা সবিস্তাৰে ক'লেগৈ। সেই সামন্ত প্ৰেমিকে গুহাৰপৰা জাভিয়েৰৰ পোছাক-পাতিখিনি আনি জিনাক দিলে। জিনাই বাকচত ভৰাই থ'লে। আৰু—জাভিয়েৰ আৰু কুকুৰনেচীয়াৰপৰা মানুহলৈ ৰূপান্তৰিত হ'ব নোৱাৰিলে।

কুকুৰনেচীয়াৰূপী জাভিয়েৰে তাৰ পত্নীৰ

বিশ্বাসঘাতকতা এইবাৰ বুজি পালে; কিন্তু একো কৰিবলগা নাছিল তাৰ। কিয়নো—এই কুকুৰনেচীয়াৰ ৰূপ ধৰি নগৰলৈ গ'লে নগৰৰ কুকুৰবিলাকে, আৰু বিশেষকৈ মানুহেই তাক মাৰি পেলাব।

এইদৰে এবছৰমান উকলিল। জিনাই প্ৰথমৰ ফালে চুবুৰীয়াহঁতৰ আগত উচুপিছিল, কন্দা-কটা কৰিছিল। গিৰিয়েক নোহোৱা হোৱাত মৰ্ম্মাহত হোৱাৰ ভাও জুৰিছিল, আৰু সামন্ত প্ৰেমিকৰ বুকুত সোমাই পৰিছিল।

এবাৰ দেশৰ ৰজা চিকাৰলৈ ওলাল। গৈ গৈ তেওঁ সেই অৰণ্য পালেগৈ। হঠাৎ তেওঁ লগত লৈ যোৱা কুকুৰবিলাকে প্ৰচণ্ডভাৱে ভুকিবলৈ ধৰিলে, আৰু কুকুৰ-নেচীয়াৰূপী জাভিয়েৰক আক্ৰমণ কৰি চাৰিওফালৰপৰা আগুৰি ধৰিলে। লগে লগে কুকুৰনেচীয়াৰূপী জাভিয়েৰ ৰজাৰ কাষত থিয় হ'লগৈ আৰু ৰজাৰ ভৰিত মূৰ থৈ ৰজাৰ পিনে করুণ দৃষ্টিৰে চালে।

কুকুৰনেচীয়া এটাৰ বিস্ময়কৰ আচৰণলৈ লক্ষ্য কৰি ৰজা অতিপাত বিস্মিত হ'ল। তেওঁ তেওঁৰ লগৰীয়াহঁতক ক'লে যে এই কুকুৰনেচীয়াটোক কোনেও যাতে একো অনিষ্ট নকৰে। তেওঁ ক'লে, "নিশ্চয় কিবা এটা ৰহস্য আছে ইয়াৰ আচৰণত। যি কি নহওক, ই অৰণ্যতে জীয়াই থাকক ব'লা আমি ইয়াৰপৰা গুচি যাওঁ।"

কিন্তু ৰজাই এই কুকুৰনেচীয়াটোক এৰিলেও কুকুৰনেচীয়াটোৱে ৰজাৰ লগ নেৰা হ'ল। কুকুৰনেচীয়াটো ৰজাৰ কাষে কাষে গৈ থাকিল, আৰু গৈ গৈ, ৰজাৰ লগে লগে ৰাজধানী পালেগৈ।

ৰজাই তেওঁৰ অনুচৰহঁতক ক'লে, "কুকুৰনেচীয়াটোৱে মোৰ ওচৰত আশ্ৰয় বিচাৰিছে। কোনেও যেন ইয়াৰ অনিষ্ট নকৰে, চাবা। আৰু—ইয়াক প্ৰতিদিন জোখে-জোখাৰে মঙহ খাবলৈ দিবা।"

তেতিয়াৰপৰা কুকুৰনেচীয়াটো ৰজাৰ



আশ্ৰয়ত থাকিল। আৰু ৰজায়ো এই কুকুৰনেচীয়াটোক মৰম কৰিছিল।

কেইমাহমানৰ পাছৰ কথা। ৰজাই তেওঁৰ তলতীয়া সামন্ত ৰজাহঁতক মতাই অনালে এটা বিশেষ জৰুৰী বিষয়ত আলচ কৰাৰ বাবে। নিৰ্দিষ্ট দিনত সকলো সামন্তৰজা আহিল ; কিন্তু এজন নাহিল। যি সামন্তৰজাই বিশ্বাসঘাতিনী জিনাৰ লগত অবৈধ সম্পৰ্ক স্থাপন কৰিছিল, সেই সামন্ত ৰজাও আহিছিল। আৰু তাক দেখামাত্ৰেই কুকুৰনেচীয়াটো তাৰ ওপৰত জঁপিয়াই পৰিলগৈ। কুকুৰ-নেচীয়াটোৰে তাৰ ডিঙিত কামুৰি ধৰিবলৈ লওঁতে কিছুমানে বহু কষ্টেৰে সেই কুকুৰ-নেচীয়াটোক একুৰাই আনিলে।

এই ঘটনালৈ মন কৰি ৰজাই তৰধ মানিলে। তেওঁ মন কৰিলে যে—কুকুৰ-নেচীয়াটোৰে আন কাকো আক্ৰমণ কৰা নাই, কেৱল এইজন সামন্তকহে আক্ৰমণ কৰিছে। ৰজাৰ মনত এক বিৰাট প্ৰশ্নই মূৰ দাঙিলে।

কিন্তু—অন্য এটা প্ৰশ্নয়ো তেওঁৰ মনত চিন্তাৰ ঢৌ তুলিলে। তেওঁ ভাবিলে ঃ কুকুৰনেচীয়াটোৰে কালিলৈ যে মোৰ ওপৰত জঁপিয়াই নপৰিব—তাৰ নিশ্চয়তা কি ? —ৰজাই কুকুৰনেচীয়াটোক এডাল শকত শিকলিৰে কটকটীয়াকৈ বান্ধি থ'বলৈ আদেশ দিলে।

এই ঘটনাৰ কিছুদিনৰ অন্তত ৰজা পুনৰ এদিন চিকাৰলৈ ওলাই সেই একেডৰা অৰণ্য পালেগৈ। কিন্তু সেই অৰণ্যলৈ সোমোৱাৰ আগতে তেওঁ অৰণ্যৰ প্ৰান্তত থকা জিৰণি ঘৰলৈ গ'ল জিৰণি ল'বলৈ। তাত তেতিয়া কুকুৰনেচীয়াৰ ঘোৰ শত্ৰু সেই সামন্ত আৰু জিনাও আছিল। সামন্ত আৰু জিনাই ৰজাক যথেষ্ট খাতিৰ-বাতিৰ কৰিলে। ৰজাক ভাল লগাবলৈ কত যে ভালৰি বোলোৱা কথা ক'লে।

কিন্তু কুকুৰনেচীয়াটো একোপধ্যে ভোল

নগ'ল। কুকুৰনেচীয়াটো জঁপিয়াই পৰিল জিনাৰ ওপৰত, যদিও ৰজাই কুকুৰ-নেচীয়াটোক ডাবি মাৰি ৰখালে। নহ'লে জিনাক কিজানি কুকুৰনেচীয়াটোৱে এই খতমেই কৰিলেহেঁতেন।

ৰজাই এই কুকুৰনেচীয়াটোক ক'লে, "চোৱা, তুমি যিজনীক মাৰি পেলাবলৈ ধৰিছিলা, সেইজনীৰ আগৰ গিৰিয়েৰজন আছিল মোৰ পৰমপ্ৰিয়। এই সামন্ত হ'ল এইজনী জিনাৰ দ্বিতীয় গিৰিয়েৰ। এই সামন্তই মোৰ পৰমপ্ৰিয় সামন্তৰ পত্নীকে গ্ৰাস কৰি ক্ষান্ত থকা নাই, তাৰ সকলো সা-সম্পদো গ্ৰাস কৰিলে।" এই বুলি কোৱাৰ অন্তত ৰজাই তেওঁৰ অনুচৰ তথা প্ৰহৰীহঁতকো ক'লে, "তোমালোকে এই সামন্ত আৰু এইজনী জিনাকো বন্দী কৰি ফাটেকৰ আটাইতকৈ এন্ধাৰ কুঠৰীত ভৰাই থোৱাগৈ। তাৰ পাছত, বিচাৰৰ দিনা উভয় পক্ষৰ কথা শুনিম।"

কুকুৰনেচীয়াৰূপী জাভিয়েৰৰ পত্নী উপৰ-টেলেঙী জিনাক কাৰাগাৰৰ এক নিমজ অন্ধকাৰ কুঠৰীত বন্দী কৰি থোৱা হৈছিল। তাই এই কষ্ট সহ্য কৰিব নোৱাৰি সকলো কথা ৰজাক কৈ দিলে।

তেতিয়া ৰজাই কুকুৰনেচীয়াৰূপী জাভিয়েৰৰ সেই পোছাক-পাতিখিনি অনালে, আৰু সেই পোছাক-পাতিখিনি পিন্ধাৰ লগে লগেই জাভিয়েৰে পুনৰ মানুহৰ ৰূপ ঘূৰাই পালে।

ৰজাই তেতিয়া সেই দুষ্ট সামন্তক মৃত্যুদণ্ডৰে দণ্ডিত কৰিলে আৰু চটাই পাখৰী জিনাক দেশৰপৰা একবস্ত্ৰেৰে বহিষ্কাৰ কৰি দিলে। তাৰ পাছত তেওঁ জাভিয়েৰক পুনৰ সামন্ত হিচাপে প্ৰতিষ্ঠিত কৰিলে। তেতিয়াৰপৰা জাভিয়েৰে সপ্তাহে প্ৰতি চাৰিদিনকৈ সামন্তৰাজ হৈ আৰু তিনিদিনকৈ কুকুৰনেচীয়া হৈ জীৱন কটাইছিল পুনৰ বিয়া-বাৰু নকৰাকৈ।

চোক

দেৱগিৰি দেশত এসময়ত বিক্রমসিংহ নামৰ এগৰাকী ৰজা আছিল। আৰু তেওঁৰ আছিল যুগন্ধৰ নামৰ এগৰাকী মন্ত্ৰী। বিক্রমসিংহৰ সেনাপতিৰ নাম আছিল শিৱবৰ্মা। মন্ত্ৰী যুগন্ধৰ আছিল অতি তীক্ষ্ণবুদ্ধি আৰু সেনাপতি আছিল প্ৰচণ্ড পৰাক্ৰমী। দৰাচলতে, এই দুজনৰ কাৰণেই দেৱগিৰি আক্ৰমণ কৰিবলৈ কাৰো তাগজ নহৈছিল।

ৰজা বিক্রমৰ ৰাজ্যশাসন সুকলমেই চলি আছিল। কিন্তু হঠাৎ এদিন আকস্মিকভাৱে সেনাপতি শিৱবৰ্মা ঢুকাল।

তাৰ পাছত—নতুনকৈ সেনাপতি নিযুক্ত কৰাৰ বাবে যোগ্য প্ৰাৰ্থী বিচাৰি ৰজাই সমগ্ৰ দেশত ঘোষণা কৰিলে, আৰু এই ঘোষণা শুনি ভালেমান যুৱক সেনাপতি পদৰ বাবে প্ৰাৰ্থী হ'ল।

বিভিন্ন অস্ত্ৰ-চালনাৰ পৰীক্ষাত যুৱকসকলৰ মাজত বহুতেই ব্যৰ্থ হৈ উভতি যাবলগীয়া হ'ল। কোনোবা অস্ত্ৰ-চালানত, কোনোবা মালযুঁজত পৰাজিত হ'ল। আৰু শেহান্তৰত টিকি থাকিল মাত্ৰ দুজন। এই দুজনৰ নাম যথাক্ৰমে নিশান্ত আৰু নিখিল। সিহঁত দুয়োজনেই অস্ত্ৰ-চালনাত সুদক্ষ। দুজনৰ মাজত কাক যে সেনাপতিৰ পদত নিযুক্ত কৰিব. সেই কথা ৰজাই ভাবি উলিয়াব নোৱৰা হ'ল।

তেতিয়া ৰজাই তেওঁৰ মন্ত্ৰী যুগন্ধৰৰ সৈতে পৰামৰ্শ কৰি আন ধৰণৰ পৰীক্ষাৰ বন্দৰস্ত কৰিলে। স্থিৰ কৰা হ'লঃ দুজোপা গছৰ নিৰ্দিষ্ট ঠাই কাঁড়েৰে বিদ্ধ কৰিব লাগিব। কিন্তু সেই নিৰ্দিষ্ট ঠাই-

ৰূপালী ডেকা

ডোখৰ দাপোণৰ মাজেদিহে চাই ল'ব লাগিব। দাপোণৰ মাজেদি চায়েই কাঁড় এৰিব লাগিব। যাৰ কাঁড় যিমান ভালকৈ নিৰ্দিষ্ট ঠাইত বিন্ধিবগৈ, তাকেই দেশৰ সেনাপতিৰ পদত নিযুক্ত কৰা হ'ব।

প্ৰথমে নিখিলে দাপোণলৈ চাই কঁড়িয়ালে আৰু কাঁড়ডালে গছৰ নিৰ্দিষ্ট ঠাইত বিন্ধিলেগৈ।"

তাৰ পাছত নিশান্তৰ পাল পৰিল। নিশান্তই দাপোণখনৰ চাৰিওফালে ঘূৰি চালে আৰু তাৰ পাছতহে কাঁড় এৰিলে।

ৰজা বিক্ৰমসিংহদেৱে মন্ত্ৰী যুগন্ধৰক একাষৰীয়াকৈ মাতি নি সৰু সৰুকৈ ক'লে, "সেনাপতিৰ পদত নিখিলেই বোধকৰোঁ যোগ্য হ'ব। নিখিলে কিমান তৎপৰতাৰে কাঁড় এৰিলে, দেখিলানে?"

মন্ত্ৰী যুগন্ধৰে নম্ৰভাৱে ৰজাক ক'লে, "এই সিদ্ধান্তৰ বিষয়ে আপোনাৰ সৈতে মই একমত হ'ব নোৱাৰিলোঁ।"

"কিনো কৈছে মহামন্ত্ৰী! যিজনে কোৱাৰ লগে লগেই এই গছজোপাৰ নিৰ্দিষ্ট ঠাইত হেলাৰঙে কাঁড় বিদ্ধ কৰিলে, সেইজন সেনাপতি হোৱাৰ যোগ্য নহয় নে কি! নিশান্তই দাপোণৰ চাৰিওফালে বহু সময় ধৰি ঘূৰা-পকা কৰিহে কাঁড় এৰিছিল। যিজনে এডাল কাঁড় এৰোঁতেই

ইমান চিন্তা কৰে, সিমান সময় লয়, সেইজনে প্ৰকৃত যুদ্ধক্ষেত্ৰ কি কৰিবনো?" ৰজাই মন্ত্ৰীক উত্তেজিতভাৱে ক'লে।

ৰজাৰ এই কথাৰ উত্তৰত মন্ত্ৰী যুগন্ধৰে ক'লে, "মহাৰাজ, নিশান্তই নিখিলতকৈ সময় অধিক লৈছিল, ঠিকেই; কিন্তু তাৰ কাঁড় নিক্ষেপ অধিক সুপৰিকল্পিত, সুনিৰ্দিষ্ট, অতি সুনিবিষ্ট, আৰু সুন্দৰ। তাৰ কাঁড়ে কেৱল নিৰ্দিষ্ট ঠাইডোখৰেই বিন্ধা নাই গৈ, তাৰ কাঁড়ে গছৰ ঢেৰ পাত সৰুৱালে, আৰু যিখন ডালত কাঁড় বিদ্ধ হৈছিল, সেই ডালখনো টুকুৰা হৈ তললৈ ভাগি পৰিল। সেয়েহে, মোৰ

সিদ্ধান্ত হ'ল যে—নিখিলতকৈ নিশান্ত অধিক যোগাৱান।"

মন্ত্ৰীৰ কথাখিনি ৰজাই ভাবি চালে আৰু দোমনো-দোহস্তভাৱে মানি ল'লে।

ৰজাৰ মনৰ দোদুল্যমান অৱস্থাৰ কথা উপলব্ধি কৰি মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, আপুনি যদি অনুমতি দিয়ে, সকৈ আৰু এটা পৰীক্ষা লোৱা যাওক। এই পৰীক্ষাৰে বুদ্ধিবলৰ লগত দেহবলৰ পৰিচয়ো পোৱা যাব।"

নিশান্তক আৰু নিখিলকো এখনকৈ কুঠাৰ দি দুয়োজনক এজোপাকৈ গছ কাটিবলৈ ক'লে মন্ত্ৰীয়ে। যিজনে আগতে কাটিব পাৰিব, সেইজনক সেনাপতিৰ পদত লোৱা হ'ব বুলি আগতে ঘোষণা কৰা হ'ল।

কুঠাৰখন হাতত পোৱামাত্ৰেই নিখিলে গছজোপাত ঘপিয়াবলৈ ধৰিলে। কিন্তু নিশান্তই প্ৰথমে কুঠাৰখনৰ চোক পৰীক্ষা কৰি চালে। চোক ভালকৈ নথকা দেখি এচটা শিলত ঘঁহি কুঠাৰখন কুটি ল'লে। তিমানতে নিখিলে গছজোপাৰ আধাখিনি-মান কাটিলেই প্ৰায়। কিন্তু নিশান্তই তেতিয়ালৈকো কুঠাৰখন ধৰোৱাত মগ্ন!

নিশান্তই কুঠাৰখনৰ চোক পুনৰ হাতেৰে পৰীক্ষা কৰি চালে। আৰু তাৰ পাছত গছ জোপাত ঘপিয়াবলৈ ধৰিলে। তিমানতে ঘপিয়াই ঘপিয়াই নিখিল ভাগৰি পৰিছিল; কিন্তু গছৰ আধাখিনিহে মাত্ৰ কটা হৈছিল।

আনহাতে, নিশান্তই তাৰ চোক থকা কুঠাৰখনে গছজোপা চাওঁতে চাওঁতে কাটি বগৰাই পেলালে! এই দৃশ্য দেখি নিখিল মূৰ্ছিত হৈ ঠাইত বাগৰি পৰিল।

ৰজা বিক্ৰমসিংহদেৱে মহামন্ত্ৰী যুগন্ধৰলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলে আৰু আনুষ্ঠানিকভাৱে নিশান্তক সেনাপতিৰ পদত নিযুক্ত কৰি তাৰ বুদ্ধিমত্তা তথা বিচক্ষণতাৰ শলাগ ল'লে।



ভূতিয়ানী

মসামুৰা নামৰ গাঁও এখনত মলয়পরন নামৰ এজন মানুহ আছিল। মলয়পরনে গাঁৱে গাঁৱে চুবুৰিয়ে চুবুৰিয়ে ঘূৰি ঘূৰি চুৰী খাৰু নাকবালি চিপাটমণি আৰু আন নানান ৰকমৰ মণিয়াৰী মাল-বস্তু বেচিছিল। গাঁৱৰ এমূৰত আছিল তাৰ ঘৰ। ঘৰত আছিল ঘৈণীয়েক। আৰু আছিল এহাল ল'ৰা-ছোৱালী।

এদিন সি ঘূৰি ঘূৰি ভাগৰি-জুগৰি এজোপা বৰগছৰ তলত বহি জিৰণি ল'লে আৰু তাতে বহি দুপৰীয়াৰ ভাতখিনি খালে। যিখিনি খাব নোৱাৰিলে, সেইখিনি সুন্দৰকৈ থৈ দিলে, যাতে কোনোবা বাটৰ কুকুৰে বা আন কোনোবা জন্তুৱে খাব পাৰে। তাৰ পাছত, খাই-বৈ জিৰাই-শঁতাই সি আকৌ ওলাল বেহাবলৈ।

মলয়ো গুচি গ'ল, আৰু এটা ৰাক্ষসো আহিল তাত। ৰাক্ষসটোৱে এই ভাত আৰু আঞ্জাখিনি চাকি চালে। চাকি চাই ভালেই পালে। ৰাক্ষসটোৱে মলয়ৰ এৰেহাখিনি চাঁচি-চুৰুকিয়েই খালে। খাই, সি ৰাক্ষসে ইমানেই ভাল পালে যে—আগলৈ সি আৰু মানুহ ধৰি নাখাই ভাত-দাইল আৰু খাৰৰ আঞ্জাকে খাই থাকিব বুলি খাটাং কৰিলে। খাটাং কৰিলে, পিছে পায়নো ক'ত? এই মানুহজনে তো ইয়াতে বহি ভাত নাখাব, আৰু তাৰ কাৰণে থৈয়ো নাযাব। ভাবি ভাবি ভাবি ভাবি—পাঙিলে বুধি এটা সেই ভতুৱা ৰাক্ষসটোৱে।

আন এদিন মলয়পরনে সেই গছ-জোপাৰ কাষেদি গৈ থাকোঁতে গছ-

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

জোপাৰ গুৰিত বহি এজনী ক'লী তিৰোতাই কান্দি থকা দেখা পাই তাত বৈ দিলে। মলয়পৰন ৰ'ল আৰু ছোৱালী-জনীৰ কান্দোনো চাৰিগুণে চৰিল।

মলয়ে সেই তিৰোতাজনীক সুধিলে, "তুমিনো কোন, আই? ইয়াত— এনেহেন নিজান-নিজম ঠাইত বহি কান্দিছানো কেলেই?"

"মোৰ ঘৰ বহু দূৰত। মোক এৰি মোৰ গিৰিয়েৰ ক'ৰবালৈ গুচি গ'ল। মই কি খাওঁ কি পিন্ধো ক'ত কেনেকৈনো থাকোঁ? মোক চোৱা-চিঁতা কৰাৰ কেও ক'তো নাই।" তিৰোতাজনীয়ে ক'লে। কন্দা দেখি মলয় কুমলিল। ক'লে তিৰোতাজনীক, "তোমাৰ যদি আপত্তি অসুবিধা নাই, ব'লা মোৰ লগত আমাৰ ঘৰলৈ। খোৱা-পিন্ধাৰ চিন্তা নাই; কিন্তু নগদ টকা-পইচা একো দিব নোৱাৰিম। আমাৰ ঘৰত কাম কৰিবা, খাবা, থাকিবা। আৰু—তোমাৰ গিৰিয়েৰ যদি ঘূৰি আহে তোমাক নিবলৈ, যাব পাৰিবা।"

আচলতে, এই তিৰোতাজনীয়েই আছিল সেই ৰাক্ষসটো। মলয়ৰ ঘৰত ভাত-দালি-খাৰৰ আঞ্জা সদায় খোৱাৰ বাবে সি সুবৰ্ণসুযোগ পাই গ'ল আৰু মলয়ৰ লগত মলয়হঁতৰ ঘৰলৈ গ'ল।

মলয়ৰপৰা সকলো কথা শুনাৰ অন্তত মলয়ৰ ঘৈণীয়েকে তিৰোতাজনীক সুধিলে, "আই, তোমাক কি নামেৰে মাতিম?"

এনেকুৱা এটা প্ৰশ্নৰ বাবে ৰাক্ষসটো সাজু নাছিল। সি থতমত খালে; কিন্তু নিজক চম্ভালি লৈ ক'লে, "মোৰ নাম ভূতি। মই সৰুতে হেনো দেখাত আছিলোঁ ভূতুনীৰ দৰে, সেইদেখি এই নাম।"

পাছদিনাৰেপৰাই ভূতিয়ে মলয়হঁতৰ ঘৰৰ কাম-বনত ধৰিলে। তাই গাই খীৰায়, গাই-ছাগলীবিলাকক চৰণি পথাৰলৈ লৈ যায়, আৰু অন্যান্য ঘৰুৱা কাম-বনতো তাই ৰংমনেই হাত উজান দিয়ে।

এদিন কামৰপৰা উভতি আহোঁতে মলয়পৰনৰ ভালেখিনি ৰাতি হ'ল। জাৰ-কালিৰ ৰাতি। ঘৰৰ সকলোটিয়েই খাই-বৈ সোনকালকৈ শুলে। ভূতিও শুই আছিল মজিয়াত ঢাৰি পাতি। কিন্তু মাত শুনিও কোনো নুঠা হ'ল জাৰৰ আৰাম এৰি। মলয়ৰ ঘৈণীয়েকে ভূতিক ক'লে, "অ' ভূতি, দুৱাৰখন খুলি দেচোন।"

কিন্তু ভূতিও শোৱাৰপৰা নুঠিল। তাই শুই থাকিয়েই তাইৰ হাত এখন দীঘল কৰি দুৱাৰখন খুলি দিলে।

আৰু ভূতিৰ এই অদ্ভুত কাণ্ড মলয়ৰ ঘৈণীয়েকে দেখা পালে। এনেকৈ দীঘল-হতীয়া হ'ল কেনেকৈ তাই? মলয়ৰ ঘৈণীয়েকে কথাটো ভাবি ঘামিবলৈ ধৰিলে। দেখি ভবৰি উঠিল। কিন্তু ৰাতিৰ পৰতে আৰু হৈ-চৈখন নকৰিলে। ৰাতিৰ বাকীছোৱা উজাগৰে কটালে।

ৰাতিপুৱা মলয়ক ক'লে কথাটো তাৰ ঘৈণীয়েকে। তাই ক'লে, "ভূতি—নিশ্চয় মানুহ নহয়। আৰু এটা কথা. ছোৱালী যিমানেই ক'লী-কুৎসিৎ নহওক, কোনোবাই 'ভূতি' বুলি নিজৰ ছোৱালীৰ নামকৰণ কৰিবনে?"

মলয়পৰন বৰ দোমোজাত পৰিল। যি শুনিলে সি অতি ভয়ানক। কিন্তু ইও হ'ব পাৰেনে? যি কি নহওক, তেতিয়াহে মলয়ৰ এটা কথা মনত পৰিল যে—ঘৰৰ দুৱাৰখন খুলি দিয়াৰ লগে লগে সি যেতিয়া সোমাই আহিছিল, ভূতি তেতিয়াও কিন্তু গাত কম্বল লৈ শুয়েই আছিল। কিন্তু—ভূতি যদি সঁচাসঁচিকৈয়ো ভূতুনীয়েই, তাইক খেদেনো কি প্ৰকাৰে? কিবা এটা দোষ-জগৰ, কিবা এটা অজুহাত লাগিব তো। গতিকে—এতিয়াৰপৰা তাইক টান কামবোৰ কৰিবলৈ দিয়া হ'ব, যাতে তাই নিজে নিজেই গুচি যায়গৈ।

আৰু এই কথা ভাবি, সিদিনাই মলয়ে ভূতিক ক'লে, "ভূতি, তুমি আজিৰপৰা

আমাৰ বাৰীৰ কালৰ সেই তিনি হালিচামান মাটিৰ চাবিওফালে ইটাৰে পকী বেৰ সাজি দিবা। আজিৰপৰা এয়ে হ'ল তোমাৰ বিশেষ ধৰণৰ কাম।

ভূতিয়ে হেলাৰঙে মলয়ে কোৱামতে ইটাৰে পকী বেৰ সাজি দিলে।

ভূতি মানুহ নহয় সেই কথাত আৰু সন্দেহ নাথাকিল। কিয়নো, এই কাম, যিটো কাম তাই অকলেই কৰি পেলালে, দহজন বনুৱায়ো তিনি দিনৰ ভিতৰত কৰিব নোৱাৰিলেহেঁতেন। কিন্তু—তথাপি, ভূতিয়ে কিবা দায়-দোষ নকৰালৈকে তাইক খেদেনো কি অজুহাতত?

ভূতি যে আচলতে ভূতুনী—সেই কথা গাঁৱতো সদৰি হৈ পৰিল। গাঁৱৰ ৰাইজে মলয়ক ক'লে, "এই ভূতি নামৰ ভূতুনীক গাঁৱৰ বাজ কৰা, নহ'লে তোমালোকেই এইখন গাঁও এৰি গুচি যোৱা।"

মলয়হঁত মহা বিপদত পৰিল। ভূতিক যদি জোৰ কৰি খেদি দিয়ে, তাই যদি সঁচাকৈয়েই ভূতুনী, নিশ্চয় সিহঁতৰ অনিষ্ট নকৰাকৈ নেৰে। আনহাতে—এই ভূতিৰ কাৰণে গাঁৱৰ মানুহো সিহঁতৰ প্ৰতি বিৰূপ হ'ল। কাক এৰে কাক বেঢ়ে?

এনেতে এদিন এটা নিগনিক ঘৰতে দৌৰি ফুৰা দেখি মলয়ৰ সৰু ল'ৰাটোৱে নিগনিটোক ধৰি দিবলৈ জেউৰ ধৰিলে। তিমানতে নিগনিটো খৰধৰকৈ এটা গাঁতৰ ভিতৰত সোমালগৈ।

ভূতিয়ে তৎক্ষণাৎ তাইৰ দেহাটোক নিগনিটোৰ দৰে সৰু কৰি পেলালে আৰু নিগনিটোক ধৰি আনিবলৈ চকুৰ পচাৰতে গাঁতৰ ভিতৰত সোমাই গ'ল।

আৰু লগে লগে মলয়পৰনে পৰন গতিৰে এপাচি মাটি আনি সেই গাঁতটো চিৰদিনৰ বাবে বন্ধ কৰি দিলে।

তেতিয়াৰপৰা ভূতিক আৰু কোনেও ক'তো কেনো দিন দেখা পোৱা নাছিল।



আমেৰিকাৰ আৰিজোনাৰ ‘গ্ৰেণ্ড কেনিয়ন উপত্যকা’ পৃথিৱীৰ দীৰ্ঘতম উপত্যকা হিচাপে বিবেচিত হয়। এই উপত্যকা দীঘলে ২১৭ মাইল আৰু বহলে ৪—১৩ মাইল। ইয়াৰ গভীৰতা ৭০০০ ফুট। ২২৫ মিলিয়ন বছৰৰ আগতে এই অঞ্চলৰ মাজেদি কোলোৰাডো নৈ প্ৰবাহিত হৈছিল। প্ৰাকৃতিক বিৱৰ্তনৰ ফলত সেই নৈ গুচি এই উপত্যকাৰ সৃষ্টি হ’ল!

পোনতে ছাহাৰা মৰুভূমিত বালি আছিল মুঠেই ইঞ্চিদিয়েক দ’। এতিয়া ছাহাৰাৰ বালিৰ গভীৰতা ঠায়ে ঠায়ে ৪০০ ফুট!

দৃশা-তেজ...

আণ্টাৰ্টিকাত বৰফৰ ভিতৰত ওপজা মাছৰ গাৰ তেজ ফট-ফটীয়াকৈ চকুৰে মনিব পাৰি। এই মাছবিলাকৰ দেহস্থ শতকৰা নব্বৈ ভাগেই হ’ল তেজ। কিন্তু ইমান তেজ থকা সত্ত্বেও সেই হিমজাত মাছৰ দেহত হিমগ্ল’বিন নাই!

কেম্পকোৰ অৱদান
নতুন
এক্লেয়াৰ্চ যাৰ ভিতৰত অধিক চকলেট
নতুন কেম্পকো চকলেট এক্লেয়াৰ্চৰ এটা পেকেট মাত্ৰ খুলি চাওক। চাওঁতে চাওঁতেই আপোনাক ঘেৰি ধৰিবহি একল হাঁহিভৰা মুখে। আৰু আপুনি সজাগ হোৱাৰ আগতেই আপোনাৰ হাতত ৰৈ যাব মাত্ৰ এটা খালী পেকেট!
অৱশ্যে এইটো সত্য যে তেওঁলোকে অন্তহীন প্ৰশংসাৰে আপোনাক মোহিত কৰিব।
কেম্পকো চকলেট এক্লেয়াৰ্চ
Chocolate Eclairs
Campco
ভাৰতৰ সৰ্ববৃহৎ, সৰ্বাধুনিক প্লান্টৰ উপহাৰ
কেম্পকো লিমিটেড মাঙ্গালোৰ
R K SWAMY/CL/5197/AS

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৮ চনৰ অক্‌ট'বাৰ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৮ চনৰ অগাস্ট মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্ব্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৭ চনৰ জুন মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : পোহৰ পোহৰ মুখ উজলে   দ্বিতীয় ফটো : সেই পোহৰৰ ছবি তোলে

পুৰস্কাৰ প্ৰাপক : মালৰিকা শইকীয়া, ৰুক্মিণী গাঁও, খন্তাপাৰা, কামৰূপ।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

ৰেণুৰ হয় দুগু সখীহঁতৰ লগত
তাই সদায় হব শুৰি কিহৰনো বলত
নিজেই খেলিব অনে এক খেল
তাকে দেখি সখীহঁতে কৰিব মেল!

ৰঙীন এক' স্কেচ পেন লৈ
আঁকিলে পুতলা লৰালৰিকৈ
দুগু-খৰিয়াল সাহৰি গৈ
সখীহঁতো আছিল খৰখেদাকৈ!

হালধীয়া, কমলা, বেঙুনীয়া, ক'লা,
গুল পীয়া, ভায়োলেট, বাদামী, ৰঙা,
সেউজীয়া, নীলা চব ৰঙেই পাবা
অতি ভাল স্কেচ পেন এক'হে লবা!



বিনামূল্যে!
কালাৰিং
ফোল্ডাৰ

Trikaya-E-1-86-ASM

এক'

স্কেচ পেন ৰঙৰ মজা! আঁকা-আঁকিৰ ৰজা!

ইণ্ডিয়ান ৰাইটিং পইণ্টচ প্ৰাঃ লিঃ, ১৮, সুভাষ ৰোড, ভিলে পার্লে (পূব) বোম্বাই-৪০০ ০৫৭

মধুৰক্ষণৰ
সুমধুৰ
লগৰী...
nutrine
Chocolate
Eclairs
...ঘন
ক্ৰীম সদৃশ
চকোলেট
এক্লেয়াৰ্চ
পৰিবেশনত
নিউট্ৰিন
স্বাভাৱিকতে!
অধিক গাখীৰ। অধিক মাখন।
অধিক চকোলেট।
নিউট্ৰিন - ভাৰতৰ সৰ্বাধিক বিক্ৰী
হোৱা চকোলেট।
Ask for
nutrine
Chocolate
Eclairs
nutrine